চান্দমামা

জানুৱাৰি ১৯৯৮



আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

PARLE

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/108 R as

'ସଚିତ୍ର ବିଜୟା' : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ନବବର୍ଷ ବିଶେଷାଙ୍କ

ଏହି ସଂଖ୍ୟାରୁ ଗ୍ରାହକ ହୁଅନ୍ତୁ ସ୍ୱତନ୍ତ୍ର ରିହାତି ପାଆନ୍ତୁ

ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ: ପ୍ରଣୟର ପ୍ରତିଲିପି, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଙ୍ଗ: ଅର୍ଦ୍ଧଶତାବ୍ଦୀର ମହାନାଟକ: ଧନୁ ଯାତ୍ରା, ଭିନ୍ନ ମଣିଷ : କଣ୍ଢେଇ ନାଚର ଅନନ୍ୟ ଯାଦୁଗର: ମାଗୁଣି କୁଅଁର, ଜୀବନ ଦର୍ପଣ: ଗାଁ ମାଟିର ବିସ୍ମୃତ କଳା: ଝଗଡା ଝାଟି, ଛଟା ଛିଗୁଲା, ଓଡ଼ିଶା ବାହାରେ ଓଡ଼ିଆ: କାଶୀନାଥ ସାହୁ, ପ୍ରେରଣା: କୁଞ୍ଜବିହାରୀ ତ୍ରିପାଠୀ, ପରଂପରା: ପଶ୍ଚିମ ଓଡ଼ିଶାର ଛେର୍ ଛେରା, ଦୃଷ୍ଟିପାତ: ରାଧାନାଥ ରାୟଙ୍କ ପ୍ରଣୟ ପ୍ରସଙ୍ଗ, ବ୍ୟକ୍ତିତ୍ୱ: ରାଜକିଶୋର ରାୟ, ନୂତନ ଧାରାବାହିକୀ: ନୋବେଲ୍ ପରିକ୍ରମା, ସ୍ୱପ୍ନ ଜଗତର ଷଷ୍ଠ ଭାଗ, ତିନୋଟି ସୁଖପାଠ୍ୟ ଗଳ୍ପ, କବିତାର କାରୁକାର୍ଯ୍ୟ ଓ ରଂଗୀନ ଦ୍ୱିପତ୍ରର ବର୍ଣ୍ଣାଳୀ ।

ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ଜାନୁଆରୀ ସଂଖ୍ୟାର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।


Rasna
Strawbear
Come. Enter a who
frolic and laughter
Rasna
mangose
Rasna
oranjutan
Rasna
lemolion
A wonderful new world created by Rasna. Here you will meet the mischievous Oranjutan, the giggly Mangose and the tickly Strawbear. Candies which come in the shape of these crazy, fun-loving creatures. Candies you can play with and enjoy their tongue-tingling taste. For just 50 paise each. You can also choose from yet another lip-smacking range of candies in lovable flavours of Rasna: Orange, Mango and Pineapple at an
INTERACT VISION

affordable price of 25 paise each.

What's more, try our exciting range of centre-filled Cream Toffees which can bring a smile on your face. So go ahead and celebrate your childhood. With Rasna Candies and Toffees.

Rasna®
CANDIES & TOFFEES

POLIO, QUIT INDIA!

Protect your child and the nation!
Participate in the mass
polio vaccination!

PULSE POLIO IMMUNIZATION
DECEMBER 7, 1997
JANUARY 18, 1998

December 7, 1997
January 18, 1998

CALLING PARENTS!

Even if

- the child is indisposed or has diarrhoea
- the child had been given polio drops earlier

TO ENSURE CENT PER CENT PROTECTION

Remember to

Take your children (under 5) to the nearest immunisation booth / centre to receive

TWO ADDITIONAL DROPS OF THE ORAL POLIO VACCINE on National Immunisation Days

Be a part of the global Polio Eradication Campaign

PolioPlus

You don't just have to protect, but help eradicate POLIO

চান্দমামা

সংস্থাপক : চক্রপাণি ✹ সঞ্চালক : নাগিৰেড্ডি

স্বাধীনতা-সংগ্ৰামৰ অজান কাহিনী

চান্দমামাৰ পাতত ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ বিষয়ে দুবিধৰ ধাৰাবাহিক ৰচনা চলি আছে। তথাপি, বহুতো উল্লেখযোগ্য ঘটনা কাহানিও লিপিৱদ্ধ নোহোৱাকৈ থাকিব। কিয়নো—স্বাধীনতা সংগ্ৰামৰ সকলো স্মৰণীয় ঘটনা লিপিৱদ্ধ কৰাৰ উপায় আমাৰ নাই।

যি কি নহওক, অতীতৰ বৃটিছ বিষয়াসকলৰ ডায়েৰিৰপৰা কিছু কিছু বিস্মৃত উজ্জ্বল ঘটনাৰ সা-সন্ধান আমি পাওঁ। তাৰে এটি হ'ল ১৮৫৭ চনৰ চিপাহী বিদ্রোহৰ দুবছৰৰ আগৰ কথা। তৎকালীন বঙ্গদেশৰ বীৰভূম অঞ্চলৰ অন্যতম আৰণ্যক অধিবাসী—চাঁওতাল উপজাতিৰ লোকসকলে—স্বাধীনতা ঘোষণা কৰিছিল। তেওঁলোকে কৈছিল : আমি ঈশ্বৰৰ সন্তান, কাৰোবাৰ দাস নহওঁ। তেওঁলোকৰ এই ঘোষণাৰ বাবে তেওঁলোকৰ ওপৰত বৃটিছে অত্যাচাৰৰ ৰঙা ঘোঁৰা মেলি দিছিল, আৰু তেওঁলোকক কঠোৰতমভাবে শোষণ কৰিছিল।

অধিকন্তু, চাওঁতালসকলৰ স্বাধীনতাৰ ঘোষণাক সহিব নোৱাৰি, ইস্ট ইণ্ডিয়া কম্প্যানিৰ ইংৰাজহঁতে পঞ্চাছটা দঁতাল হাতীক মদ খুৱাই মতলীয়া কৰি চাঁওতাল সকলৰ বসতিলৈ মেলি দিছিল, আৰু সেইবোৰ মাতাল দঁতালে শ'ই শ'ই চাঁওতাল নৰ-নাৰী শিশু-বৃদ্ধক গছকি মাৰি পেলাইছিল। চাঁওতাল সকলে ধনু-কাঁড় লৈ বৃটিছ বিৰুদ্ধে যুদ্ধ কৰাত বৃটিছ বিষয়াহঁতে বৰতোপ বন্দুকেৰে চাঁওতাল স্বাধীনতা-সংগ্ৰামী সকলক নিহত কৰিছিল। কিন্তু এজন চাঁওতাল স্বাধীনতা-সংগ্ৰামী জীয়াই থকালৈকো এই পৰম পবিত্ৰ সংগ্ৰাম অকুতোভয়ে চলাই গৈছিল।

(বৃটিছ সৈনাধ্যক্ষৰ ডায়েৰিৰ পাতৰপৰা বোটলা)

বছৰ : ২২ জানুৱাৰি ১৯৯৮ সংখ্যা : ১০

খনে : ৬.০০ টকা ✹ বছৰি : ৭২.০০ টকা





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD CHENNAI - 600 026

পৃথিৱীৰ খিৰিকীৰে

পাগত উঠিল পোল্যাণ্ড

পোল্যাণ্ডত পুনৰ ন-চৰকাৰ গঠিত হ'ল। পিছে—এইবাৰ কমিউনিস্ট চৰকাৰ নহয়। যোৱা ছেপ্টেম্বৰ মাহৰ ২১-ৰ দিনা পোল্যাণ্ডত সাধাৰণ নিৰ্বাচন হ'ল। এই নিৰ্বাচনত পোল্যাণ্ডীয়সকলে কমিউনিস্ট চৰকাৰৰ সলনি 'ছলিডাৰিটি' পাৰ্টিক শাসনৰ গাদীত বহুৱালে। ১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ অন্ত পৰিছিল, আৰু তাৰ পাছৰপৰা—পোল্যণ্ডত—ক'বলৈ গ'লে কমিউনিস্ট শাসনেই অব্যাহত আছিল। কমিউনিস্ট পাৰ্টিয়ে পোল্যাণ্ডত মুঠমাঠ চল্লিছ বছৰ ধৰি শাসন চলোৱাৰ পাছত—এইবাৰ দেশ-শাসনৰ বাঘ-জৰীডাল ছলিডাৰিটিৰ হাতত দিবলৈ বাধ্য হ'ল।



১৯৩৯ চনত জাৰ্মানিত স্বেচ্ছাচাৰী আডল্ফ হিটলাৰৰ অভ্যুদয় হ'ল আৰু তেওঁ পোল্যাণ্ড অধিকাৰ কৰা হ'ল। তেতিয়া আছিল বিশ্বযুদ্ধৰ প্ৰাৰম্ভকাল। জাৰ্মানিৰ সৈতে তৎকালীন ছোভিয়েত ইউনিয়নৰ *পাৰস্পৰিক অনাক্ৰমণ-চুক্তি* আছিল। ইপিনে—জাৰ্মানিয়ে জাপানৰ সৈতে হাত মিলাই এক্সিছ-শক্তিৰ গঠন কৰিলে আৰু সিপিনে—আমেৰিকা, ইংল্যাণ্ড, ফ্ৰান্স আদি দেশ সন্মিলিত হৈ *মিত্ৰপক্ষ* গঠন কৰিলে।

প্ৰায় ছবছৰ কাল ধৰি এই বিশ্বযুদ্ধ চলিছিল। জাৰ্মানিৰ বিজয়ৰথ তেতিয়া প্ৰায় অপ্ৰতিৰোধ্য।

আগৰ পাৰস্পৰিক অনাক্ৰমণ-চুক্তিক সম্পূৰ্ণ উপেক্ষা কৰি জাৰ্মানিয়ে-ছোভিয়েত ইউনিয়নক আক্ৰমণ কৰিলে। কিয়নো—ছোভিয়েতে মিত্ৰপক্ষৰ সৈতে হাত মিলাইছিল—এয়ে আছিল অপৰাধ। আৰু তাৰ ফলত—ছোভিয়েতক আক্ৰমণ কৰাত — ইউৰোপত এক্সিছ-শক্তিৰ শক্তি কিছুপৰিমাণে খৰ্ব হ'ল। কিছুমান সৰুসুৰা দেশকো জাৰ্মানিৰ কবলৰপৰা মুক্ত কৰিলে। ইপিনে—মিত্ৰপক্ষয়ো তেতিয়া জাৰ্মানিৰ ৰাজধানী বাৰ্লিন অধিকাৰ কৰিলে জাৰ্মানিৰ পশ্চিমফালৰপৰা, আৰু ৰুশ্ব দেশে পূৰ্ব ফালৰপৰা অধিকাৰ কৰিলে। আৰু অৱশেষত স্বেচ্ছাচাৰী নায়ক আডল্ফ হিটলাৰ আত্মঘাতী হ'ল। জাৰ্মানিক দুভাগত ভগোৱা হ'ল—পশ্চিম জাৰ্মানি আৰু পূব জাৰ্মানি। বাৰ্লিন নগৰখনো পূৰ্ব আৰু পশ্চিম হৈ দুটুকুৰা হ'ল। কিন্তু-১৯৯০ চনত পুনৰ সেই বিভক্ত জাৰ্মানিক এক কৰা হ'ল।

পোল্যাণ্ডৰ জনসাধাৰণে ছোভিয়েত ইউনিয়নৰ এই অভাৱিত সহায়তাক বিস্মৃত হোৱা নাছিল। আৰু সেইহে—তেওঁলোকে বিনা প্ৰশ্নে—কৃতজ্ঞতাৰ চিন স্বৰূপে—পোল্যাণ্ডত কমিউনিস্ট শাসন প্ৰৱৰ্তন কৰাত সাগ্ৰহ সম্মতি দিছিল। ১৯৪৮ চনত পোল্যাণ্ডত নিৰ্বাচন অনুষ্ঠিত হৈছিল। আৰু এই সাধাৰণ নিৰ্বাচনত বিপুলভাৱে বিজয়ী হৈ কমিউনিস্ট পাৰ্টিয়ে পোল্যাণ্ডৰ শাসনভাৰৰ দায়িত্ব লৈছিল।

প্ৰায় ত্ৰিছ বছৰৰ পাছত পোল্যাণ্ডত 'ছলিডাৰিটি' নামৰ ট্ৰেড ইউনিয়ন আন্দোলনে মূৰ দাঙিলে। কিন্তু এই ছলিডাৰিটি আন্দোলন সত্বেও ১৯৮০ চনলৈকে কমিউনিস্ট পাৰ্টিয়েই পোল্যাণ্ড শাসনৰ দায়িত্ব চম্ভালিছিল। ১৯৮৩ চনত ছলিডাৰিটি এক ৰাজনৈতিক শক্তিহৈ উঠিল। ১৯৮৯ চনত ছলিডাৰিটিৰ ঘাই নেতা লেচ ৱালেছাৰ নেতৃত্বত পোল্যাণ্ডত ছলিড্যাৰিটিৰ শাসনৰ পত্তন হ'ল। কিন্তু পুনৰ—১৯৯৩ চনত কমিউনিস্ট সকলে দেশৰ শাসন-ক্ষমতা হস্তগত কৰাত—লেচ ৱালেছাই ছলিডাৰিটিৰ নেতৃত্ব ত্যাগ কৰিলে।

এই ঘটনাৰ চাৰি বছৰৰ পাছত মাৰিয়ান ক্ৰেজাক্লেয়াস্কিৰ সুযোগ্য তথা অভাৱিত শক্তিশালী নেতৃত্বত ছলিড্যাৰিটি পুনৰ ক্ষমতাৰ অধিকাৰী হ'ল। তেওঁলোকে জাৰ্ছি বুছেকক পোল্যাণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰিলে।

ভাৰ-বোজাৰ বন

ভৈৰৱশাস্ত্ৰী আছিল বাকপটু মানুহ। তেওঁৰ বাকচাতুৰ্য্যই ডেকা-বুঢ়া মতা-তিৰোতা ল'ৰা-ছোৱালী আদিকো সমভাৱেই আকৰ্ষণ কৰিছিল। ভৈৰৱ শাস্ত্ৰীয়ে তেওঁৰ বাকচতুৰতাৰে সকলোকে হঁহুৱাব পাৰিছিল, আৰু কেতিয়াবা কেতিয়াবা চিন্তাৰ সমলো যোগাব পাৰিছিল। ভৈৰৱৰ ভিনীহিয়েক আছিল পূৰ্বকোশল ৰাজ্যৰ অন্যতম ৰাজ-পণ্ডিত। ডাং-বৰলা ভৈৰৱ সেই ৰাজ-পণ্ডিত ভিনিহীয়েকৰ ঘৰতে থকা-মেলা কৰিছিল।

এদিন ভৈৰৱৰ ভিনিহীয়েকে তেওঁৰ পৰিবাৰক ক'লে, "বোলোঁ — হেৰাহে, কথাটো — শুনিছানে?"

পৰিবাৰে তেওঁৰ চকুৰ পিনে চোৱাত তেৱেঁই পুনৰ ক'লে, "স্বৰ্ণচন্দ্ৰিকা মহাৰাজে তেওঁৰ একমাত্ৰ পুত্ৰীৰ বিবাহ বৈদেহীৰাজ্যৰ ৰাজকোঁৱৰৰ সৈতে পাতিব বুলি মনক পতিয়াইছে, পিছে—বৈদেহীৰাজ্য আমাৰ ৰাজ্যতকৈ ঢেৰ ডাঙৰ, সেইহে—আমাৰ মহাৰাজৰ মনৰ আশা পূৰ্ণ নহ'ব বুলিয়েই মোৰ ধাৰণা হৈছে। এই বিষয়ে তোমাৰ বাৰু কি ধাৰণা কোৱাচোন — ?"

ভৈৰৱৰ বায়েক ভণিতাই কৈ উঠিল, "কিয় মহাৰাজৰ মনৰ আশা পূৰ নহ'ব? আমাৰ ভৈৰৱক যদি বৈদেহীৰ মহাৰাজৰ ওচৰলৈ পঠোৱা হয়—তেনেহ'লে সি বৈদেহী মহাৰাজক কথাৰে কোবাই উৰুৱাই নি কথা কিনি আনিব পাৰিব, আৰু কিজানি ৰজাৰ কুঁৱৰী আৰু ৰজাৰ কোঁৱৰক টিকে-চুলিয়ে লগ লগোৱাৰ কিবা প্ৰকাৰে খাটাং বন্দৱস্তও কৰি আহিব পাৰিব।"

"ঠিক ঠিক—শিক্ষা-দীক্ষাত ভৈৰৱৰ সিমান দখল নাই, যদিও লোক-চৰিত্ৰৰ বুজ লওঁতে তাৰ জোৰা নাই।" ভৈৰৱৰ

জয়ন্তী মিশ্ৰ



ভিনিহীয়েকে কিঞ্চিত ইতিকিংমিহলা হাঁহিৰে কথাষাৰ ক'লে।

এইবোৰ কথা ভৈৰৱেও দুৱাৰৰ আঁৰত থাকি শুনিছিল। তাৰ ভিনিহীয়েকৰ মন্তব্যই তাক যদিও কিঞ্চিত উত্তেজিত কৰি তুলিলে, তথাপি সি মুখেৰে একো নক'লে। কিন্তু পাছদিনাই—'কৰেঙ্গে ইয়া মৰেঙ্গে'—বিধৰ প্ৰতিজ্ঞা কৰি ভৈৰৱ বৈদেহী ৰাজ্যলৈ বুলি ওলাই পৰিল। ভৈৰৱে ভাবি থাকিলঃ বৈদেহীৰ মহাৰাজক এই বিবাহত সম্মত কৰাব পাৰোঁ যদি—মোক মহাৰাজে জোখে-জোখাৰে পুৰস্কৃত কৰিব নিশ্চয়। আৰু — কেৱল পুৰস্কাৰেই নহয়, মোৰ নামো নিশ্চয় সকলোতে সকলোটিয়েই জানিব, আৰু মোক এতিয়াতকৈ অধিককৈ মানিব।

নিজৰ লক্ষ্য পূৰণৰ দৃঢ় আশাৰে চালিত হৈ ভৈৰৱ গৈ থাকিল।

পূৰ্বকোশল আৰু বৈদেহীৰাজ্যৰ মাজত এক অটব্য অৰণ্য আছিল। এই অৰণ্যত এজনী ৰাক্ষসী থকাৰ কথা সেই অঞ্চলৰ অধিবাসীহঁতে জানিছিল, আৰু সেইহে এই অৰণ্যৰ মাজেদি বা কাষেদিও—আনকি দিনে-পোহৰেও কোনো মানুহ-মুনিহ ভুলে-পাহৰণেও নগৈছিল, কিছু দূৰত থকা এডৰা সৰু হাবিৰ কাষেদি গৈছিল। কথাটো ভৈৰৱশাস্ত্ৰীয়ে আগৰেপৰাই জনাত—নানান কথা ভাবি-চিন্তি ভৈৰৱেও সৰু হাবিডৰাৰ বাট ল'লে।

আৰু—সেই হাবিত ভৰি দিওঁতে-নৌদিওঁতেই ভৈৰৱৰ আগত এক মূৰ্তিমতী ৰাক্ষসী ক'ৰবাৰ পৰা—যেনিবা মাটি ফালি উপস্থিত হ'লহি!

ৰাক্ষসীয়ে গৰ্জি উঠি ক'লে, "এই হাবিত সোমোৱাৰ সাহ হ'লনা কেনেকৈ তোমাৰ ? তুমি কোন ?"

ভৈৰৱে গমিলে ঃ যমৰ আলহী নহ'লেও ৰাক্ষসীৰ আলহী হ'ব লাগিবই। ডৰতে যদিও ঢক ছুটিল, তথাপি বহু চেষ্টাৰে নিজক চম্ভালি লৈ মুখ-চতুৰ বাক্-চতুৰ ভৈৰৱে ৰাক্ষসীক কৈ থাকিল, "হে মোৰ ৰাক্ষসী আই, মোৰ নাম ভৈৰৱ। ভৈৰৱশাস্ত্ৰী। পূৰ্ব-জনমত আমি — একেই গোত্ৰৰ হৈ আছিলোঁ। আৰু হে মোৰ আই, স্বগোত্ৰীয়ক যে ধৰি খাব নাপায়— নিশ্চয় তুমিও জানা। আনকি এই বিষয়ত ত্ৰি-জগতৰ ৰাক্ষস পণ্ডিতবৰ্গৰো একে মত।"

ভৈৰৱৰ কথাত ৰাক্ষসীয়ে অট্টহাঁহিৰে

হাবি কঁপাই হাত জোকাৰি হাঁ হাঁ কাঁ কাঁকৈ কৈ থাকিল, "এই হাবি—এই হাবিত থাক সৌ ফটিকপানীৰ সৰোবৰ — সকলো ভৈৰব জাতিৰ বাপতি সাহোন। তুমিও যদি ভৈৰব—যদি সঁচা — তোমাৰ কোনো ডৰ নাই। নহ'লে—" এই বুলি কৈয়েই ৰাক্ষসীয়ে দুবাৰমান হাত-চাপৰি দিলে আৰু তৎমুহূৰ্ত্তে তাত এজনী যুৱতী ৰাক্ষসী আহিল। তাই ভৈৰৱলৈ কেৰাহিকৈ চালে আৰু ক'লে, "মাঈ—তোক মই আগতেই কৈছোঁ যে মানুহৰ মঙহ আন্দিব মই নেজানো।"

শুনি ভৈৰৱশাস্ত্ৰীৰ বুকুৱে-ঠেঙে যদিও ধাৰৰ নলকঁপা দিলে, তথাপি বুদ্ধিমানিৰে যুৱতী ৰাক্ষসীলৈ মুগ্ধ দৃষ্টিৰে চাই মাক ৰাক্ষসীক ক'লে, "তোমাৰ ছোৱালীজনীৰ আগত কিজানি গন্ধৰ্বকন্যাও তেনেই তুচ্ছ। এওঁৰ এতিয়ালৈকে বিয়া—পতা নাইনে? এইজনীৰ নাম কি — কোৱাচোন মোক আই?"

"এইৰ নাম হ'ল চতুৰসুন্দৰী। এইৰ বিয়াৰ কথাত হৈ চৈ লাগি পৰাত আমি আমাৰ প্ৰকৃত বাসস্থান বৰ অৰণ্য এৰি এই হাবিলৈ আহিছোঁ।" গুচি মাক ৰাক্ষসীৰ কথাৰ উত্তৰত ভৈৰৱে ক'লে, "হৈ-চৈ কিহলৈ —?"

"যিম্মান ডেকা ৰাইক্কহ আছে—বোলে — চব্বেই তাইকহে দিলে হিয়া কৰাবলৈ' বিয়া! কিনো ক'বা — তাইক বিয়া কৰোৱাৰ কথাত আটাইকিটায়েই হান্ হান্ কাট কাট কৰিয়েই আছে, ইটোৱে সিটোৰ সৈতে যুঁজিয়েই আছে। এই কথাত বিক্‌চিনা লাগিহে এই হাবিলৈ গুচি আহিলোঁ।" ক্ষন্তেকমান ৰৈ তাই পুনৰ ক'লে, "কিন্তু তাইৰ বিয়াৰ বয়স হ'ল—কুৰিতে যেতিয়া বুঢ়ী হ'ব—কোনো ৰাইক্কহ বাদেই—কোনো ভূতেও তাইলৈ ঘূৰিকে নাচাব।" মাক ৰাক্ষসীয়ে ভৈৰৱশাস্ত্ৰীক

কথাখিনি থোৱতে বুজাই ক'লে।

ভৈৰৱশাস্ত্রীয়ে আকাশলৈ চাই হাত যোৰ কৰি ক'লে, "আহা ! ঈশ্বৰৰ লীলা কোনে বুজিব ?" এই বুলি কৈ কেইক্ষন্তেকমানৰ বাবে চকু মুদি থাকিল আৰু তাৰ পাছত পুনৰ কৈ উঠিল, "আমাৰ বংশৰ চতুৰসুন্দৰীৰ কাৰণে যোগ্য দৰা—ইয়াৰপৰা, একোশমান দূৰতে আছে। হে আই, তুমি যদি 'হয়' বুলি কোৱাঁ, হৈ যাব বুলি আশা কৰিছোঁ।"

ভৈৰৱৰ কথাত ভোল গৈ মাক ৰাক্ষসীয়ে ক'লে, "হাৰে মনুষ্য—তুমি যে কিমান ভাল মানুহ ! তুমি যদি তাইক সঁচাসঁচিকৈ বিয়া দিব পাৰা, তোমাক মই ধন-সোণ হীৰা-মণি-মুকুতাৰে ভৰাই দিম।"

"কেৱল ধন-সোণৰ আশাৰে নহয়, আমাৰ বংশৰ ছোৱালী এজনীৰ কাৰণে কৰ্তব্য কৰাৰ বাবেও এই চেষ্টা অৱশ্যেই কৰিম। আৰু — এই চেষ্টাত সকল হ'লে মোৰ নামো হ'ব আৰু লগতে নিশ্চিত কিঞ্চিত পুণ্যও হ'ব।" ভৈৰৱে ৰাক্ষসীক ক'লে।

এই বুলি কৈয়েই ভৈৰৱশাস্ত্রীয়ে পুনৰ খোজ ল'লে গভীৰ অৰণ্যৰ এক বিশেষ ঠাইলৈ। গৈ থাকোঁতে নানান কথাৰ মাজত এই কথাটোও ভাবি থাকিলঃ কোশল আৰু বৈদেহীৰ মাজত বৈবাহিক সম্পৰ্ক-সৃষ্টিৰ কাৰ্য্য মোৰ দ্বাৰা হোৱাৰ আশা বৰ নেদেখোঁ। এই আশা—দৰাচলতে দুৰাশা। প্ৰকৃততে—এই কাৰ্য্য মোৰ পক্ষে অসাধ্য। তাতকৈ—এই ৰাক্ষসীৰ ছোৱালীজনীৰ যোৰা যদি পাতি দিব পাৰোঁ, আন নহ'লেও ধনেদি দৌল বান্ধিব পাৰিম যেন পাওঁ। গতিকে—পাৰোঁমানে চেষ্টা কৰি চাওঁ।

এইবোৰ কথা মনতে ভাবি ভাবি এসময়ত ভৈৰৱে গৈ গৈ গভীৰ অৰণ্য পালেগৈ।

স্বৰূপে মই তোমাক ঢেৰ সোণ-ৰূপ মণি-মুকুতা দিছোঁ। সৌ গছজোপাৰ গুৰিত যিখিনি পুতি থৈ দিয়া হৈছে—তুমি লৈ যোৱা। পিছে —এই পুৰস্কাৰ পায়ো তোমাৰ কোনো লাভ নহ'ব। কিয়নো—তোমাৰ আয়ুস-চাউল টুটিবৰ হ'লেই —।"

যুৱা ৰাক্ষসৰ কথাত ভৈৰৱে ভয় খালে। কিন্তু মনৰ ভয় মনতে সামৰি ক'লে, "হে ৰাক্ষসপ্ৰভু, মই যে আমাৰ ৰাক্ষসপ্ৰভুৰ প্ৰশংসাৰ পাত্ৰ হৈছোঁ—সেয়ে মোৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ। মই আপোনাৰ ভৰিৰ ধূলাৰো যোগ্য নহওঁ প্ৰভু, তাতে এই আশাতীত পুৰস্কাৰ! আজি মোৰ গু-জীৱন সাথক হ'ল — হে আমাৰ ৰাক্ষস প্ৰভু!"

ভৈৰৱৰ কথাৰ চাতুৰীৰে ভোল যোৱা যুৱা ৰাক্ষসে ক'লে, "পিছে—হেৰা মৰতৰ নগইণ মনুষ্য, তুমি কি কামতনো আমাৰ ইয়ালৈ আহিলা?"

"আপোনাৰ কাৰণে যোগ্য পত্নী বাছি উলিউৱাৰ বাতৰি কাঢ়িয়াই লৈ আহিলোঁ, প্ৰভু!" ভৈৰৱে মুচুকৰে হাঁহি মাৰি কৈয়েই পেলালে আচ্‌লি কথাটো।

"আঁ!"

হতবাক হৈ পৰা যুৱা ৰাক্ষসে ঢেলুকা-ঢেলুক চকুৰে ভৈৰৱলৈ চাই কৈ উঠিল, "কি কোৱাঁহে! মই—মই ঘণ্টাকৰ্ণ ৰাক্ষসে বিয়াৰ আশা এৰিয়েই দিছিলোঁ দেখোন! মোৰ ভাগ্যতো — বিয়া! নোহোৱাক নো তুমি কেনেকৈ' হোৱাবাহে?"

"হে পৰভু! কেতিয়াবা নোহোৱাও হৈ

তাত এটা বিৰাট গুহাত এক যুৱা ৰাক্ষস আছিল। ভৈৰৱে গুহাটোৰ দুৱাৰমুখত জন্তু-জানোৱাৰৰ হাড়-লাওখোলা আদিৰ দ'ম দেখা পাই গমিলে যে—এই গুহাতে সেই ৰাক্ষস নিশ্চয় আছে।

গুহাৰ দুৱাৰমুখত থিয় হৈ ভৈৰৱে চিঞৰি চিঞৰি কৈ থাকিল, "হে ৰাক্ষসপ্ৰভু, মই ভৈৰৱ শাস্ত্ৰী। দয়া কৰি মোক আপুনি দেখা দিয়ক, প্ৰভু! মই আপোনাৰ কাৰণে এক অতি সুখদায়ক সুসম্বাদ কঢ়িয়াই আনিছোঁ।"

সদ্যে টোপনিৰপৰা উঠি অহা যুৱা ৰাক্ষসে গুহাৰপৰা মুখ উলিয়াই ভৈৰৱক ক'লে, "তুমি—সামাইন মনুষ্য হৈ—মোৰ দৰে ৰাক্ষসক জগালা যে—তোমাৰ এই দুঃসাহসৰ মই শলাগ লৈছোঁ। তোমাৰ এই সাহসৰ পুৰস্কাৰ

যায় — হোৱাও নোহোৱা হৈ যায়। তেনেহ'লে—কথাটো আপোনাক ভাঙি-পাতি ক'ৱেঁই —।" এই বুলি কৈ, ভৈৰৱে নিজক ভৈৰৱজাতিৰ বুলি চিনাকি কিয়াৰ অন্তত সেই ৰাক্ষসী যুৱতী চতুৰসুন্দৰীৰ ৰূপ বৰ্ণনা কৰিলে, আৰু তাইক—লাগিলে যে আজিয়েই বিয়া কৰাব পাৰে, তাকো ক'লে।

শুনি যুৱা ৰাক্ষস ঘন্টাকণ্ঠৰ নধৰ-নপৰ লাগিল। চুকসুন্দৰে ক'লে, "তেনেহ'লে—এতিয়াই ব'লা—তালৈ তৰাতৰিকৈ ব'লা যাওঁ আৰু তাইক মোৰ মনৰ খালৈত ভৰাওঁ।"

যুৱা-ৰাক্ষসৰ অনুৰোধত ভৈৰৱশাস্ত্ৰী তাৰ কান্ধত উঠি বহিল আৰু চকুৰ পচাৰতে ৰাক্ষসী থকা হাবিলৈ আহিল। যুৱা ৰাক্ষস ঘন্টাকণ্ঠক বেগাই আহি থকা দেখা পাই চতুৰসুন্দৰীয়ে তাইৰ মাকক ক'লে, "তেওঁ যে গধূলিৰ আগে আগে আহিল — ভাল হ'ল। নহ'লে মোৰ ৰূপ-ৰং — আৰু যতবোৰ ঢং-চং"

কিন্তু তাই কথাষাৰ নৌ শেষ কৰোঁতেই যুৱা ৰাক্ষস আৰু ভৈৰৱ উৰি অহাদি আহিল। ঘন্টাকণ্ঠই তাত চতুৰসুন্দৰীৰ দেখা পাই কৈ উঠিল, "আঃ! এয়া যেন ৰূপৰ খনি, ৰাক্ষসকুলৰ মন-মোহিনী! মই এই এতিয়া—এই মুহূৰ্ত্তে কৰাম বিয়া, গাঁথিম হিয়াই হিয়া—যদিহে তাইক মোকেই দিয়া—কৰিম মন দিয়া-নিয়া!" ভৈৰৱে চতুৰসুন্দৰীৰ মাকলৈ চালে, আৰু মাকে হাঁহিৰে সন্মতি দিয়াত নিমিষতে ভৈৰৱে ঘন্টাকণ্ঠৰ হাতত চতুৰসুন্দৰীৰ হাত এখন সুমুৱাই দিলে।

লগে লগে চতুৰ সুন্দৰীয়ে লাজতে কিঞ্চিতমান কুঁচিমুচি হৈ দিলে, আৰু যুৱা ৰাক্ষস ঘন্টাকণ্ঠই আনন্দৰ হাঁহিৰে হাবিখন কঁপাই তুলিলে আৰু ক'লে, "কৰিলোং বিয়া, পালোং হিয়া!"

তাৰ পাছত—ভৈৰৱে ৰাক্ষস ঘন্টাকণ্ঠ আৰু ৰাক্ষসী মাকৰপৰা অপাৰ ধন-ৰত্ন পুৰস্কাৰ হিচাপে লৈ, সিহঁতৰপৰা বিদায় লৈ পুনৰ ঘৰমুৱা হ'ল। গৈ থাকোঁতে—দুয়োখন হাতত ধন-ৰত্নৰ গধুৰ টোপোলা থকা ভৈৰৱে নিজকে নিজে কৈ থাকিল ঃ দাৰিদ্ৰ্যৰ ভাৰত মানুহ ভাগৰি পৰে, কিন্তু যি দেখিছোঁ—ধনৰত্নৰ ভাৰত মানুহ একেবাৰে দোঁ খাই পৰে!"

মূলাধাৰ মূলা

ৰংপুৰৰ ৰাজসভাত কবি আৰু কবিতাৰ অত্যন্ত বিত আদৰ-সন্মান আছিল, আৰু সেইহে, ৰংপুৰীয়া সকলৰ মাজত কবি হিচাপে খ্যাত হোৱাৰ ইচ্ছা আছিল অতি প্ৰবল। কেৱল ৰংপুৰতে নহয়, এই ইচ্ছাৰ ঢৌ ৰংপুৰৰৰ পৰা দূৰ-দূৰণিলৈকো বাগৰি গৈছিল। ৰংপুৰৰ মহাৰাজক স্বৰচিত কবিতা স্বকণ্ঠে শুনাই বাহ্‌বাৰ লগতে বঁটা পোৱাৰ আশা বহুতেই মনতে সাঁচিছিল। আৰু ৰাইজৰ এই মহৎ ইচ্ছাৰ প্ৰাথমিক দায়িত্ব ৰাজকবি কুলশেখৰে চম্ভালিবলগীয়া হৈছিল।

ৰংপুৰৰপৰা কিছু দূৰৱৰ্তী সুগন্ধিপুৰত কিছু সংখ্যক প্ৰতিষ্ঠিত কবি আছিল, আৰু আছিল কবি হোৱাৰ ইচ্ছা থকা বহু সংখ্যক—কবিতা খায়নে কাণতে পিন্ধে নজনাবিধৰ মানুহ। এই বিধৰ অন্যতম আছিল কুমাৰভট্ট। কুমাৰভট্টই স্বৰচিত দুখন হাতেলিখা কাব্যপুথিৰে সৈতে কুলশেখৰৰ কাষ চাপিল।

ৰাজকবি কুলশেখৰে কুমাৰভট্টক হতাশ নকৰিলে। তেওঁ অপৈণত কবিৰ কবিতা শুনিবলৈ মান্তি হ'ল আৰু অপাৰ সহ্যশক্তিৰে কুমাৰভট্টৰ প্ৰথমখন কাব্যপুথিত থকা আটাইবোৰ কবিতায়েই মনপুতি শুনিলে। তাৰ পাছত কুমাৰভট্টই যেতিয়া তেওঁৰ দ্বিতীয়খন কিঞ্চিত গধুৰ ওজনৰ কাব্যপুথিখনো পাঠ কৰি শুনাবলৈ হাতত ল'লে, তেতিয়া কুলশেখৰে কুমাৰভট্টক ৰখালে আৰু ক'লে, "কবিৰাজ, দ্বিতীয়-কাব্যপুথি পাঠ কৰাৰ কষ্ট নকৰিলেও হ'ব। আপোনাৰ প্ৰথমখনেই উত্তম। কথাতে বোলে নহয় — 'যি-মূলা বাঢ়িব তাৰ দুপাততে চিন'—। এতেকে — দ্বিতীয়খন জপাই থওক। এই মূলায়েই মূলাধাৰ।"

সম্ৰাট অশোক

[আগৰ কথা: মহাৰাজ বিন্দুসাৰৰ শাৰীৰিক অৱস্থা অতি উদ্বেগজনক। সেইহে—তক্ষশিলাৰপৰা যুৱৰাজ সুশেমক আৰু উজ্জয়িনীৰপৰা যুৱৰাজ অশোকক মতাই পঠোৱা হৈছে। ইপিনে—জ্যেষ্ঠ যুৱৰাজ-সুশেমৰ পাটলিপুত্ৰলৈ যাত্ৰা বিলম্বিত কৰাৰ বাবে বিদিশাৰ ভায়েক যশে অতি চতুৰতাৰে সেই নৰ্তকী দুজনীক নানান পটলে শিকাই-বুজাই তক্ষশিলালৈ পঠাইছিল আৰু যশৰ সেই কৌশল কাৰ্য্যকৰীও হৈছিল। অশোককো পাটলিপুত্ৰলৈ যাবলৈ বাধা দিবলৈ সুশেমে জোতিষীৰ ভেশছনত পঠোৱা তেওঁৰ পৰম মিত্ৰ ললিতদত্তক যশে চিনি পাই বন্দী কৰিছিল। আৰু তাৰ পাছত এক সৰুসুৰা সৈন্যবাহিনীৰে সৈতে যুৱৰাজ অশোকে পাটলিপুত্ৰলৈ বুলি আগবাঢ়িবলৈ মনস্থ কৰি দল-নায়কসকলক মতাই অনাইছিল। আৰু তাৰ পাছত....]

১১

উজ্জয়িনীৰ ৰাজভৱনৰ সমুখত গোটখোৱা দলনায়কসকলক সম্বোধি যুৱৰাজ অশোকে ক'লে, "মোৰ মিত্ৰসকল, এতিয়া আমাৰ অতিকৈ" সতৰ্ক হৈ থকাৰ সময়। আমি যেৱে যি কাম কৰিম—সতৰ্কতাৰে কৰিম—এয়ে হওক আমাৰ লক্ষ্য। এই সুবিশাল মগধসাম্ৰাজ্য মহান মৌৰ্য্য চন্দ্ৰগুপ্তদেৱে স্থাপন কৰিছিল। সেই সাম্ৰাজ্যক আমি কিছুমান কূটৰ ঘাইৰ ষড়যন্ত্ৰীৰ কবলত পৰি নিচ্ছিন্ন হ'বলৈ দিমনে? নে সেই মহান সাম্ৰাজ্যক ৰক্ষা কৰিবলৈ কঁকালত টঙালি বান্ধিম? এই কথাৰ নিৰ্ণয় এহিক্ষণতে লাগে।"

"সাম্ৰাজ্য ৰক্ষা—ধৰ্ম ৰক্ষা। এই ধৰ্ম পালন কৰাত আমি কদাপি ঢিলাই নিদিম। আমি যুৱৰাজ অশোকৰ প্ৰতি, আৰু তেওঁৰ নিকট-মিত্ৰসকলৰ প্ৰতি সদায় বিশ্বস্ত হৈ থাকিম।"

'ছয় কোঁৱৰৰ ছন্ন'



সুবিশাল মগধ সাম্রাজ্যৰ সম্রাট হোৱাৰ যোগ্যতা কাৰ আছে বুলি আপুনি ভাবে ?" যশে সেনাধ্যক্ষক সুধিলে।

"যিকোনো ফালৰেপৰাই বিচাৰ কৰি চালে—আমাৰ যুৱৰাজ অশোকৰ নামটিয়েই জিলিকি উঠে।" আৰু ঠিক সেই মুহূর্তত অশোক তালৈ আহিল।

"মগধ সাম্রাজ্যৰ ভৱিষ্যৎ সম্রাট যুৱৰাজ অশোকলৈ সবিনয় নমস্কাৰ —!"

সেনাধ্যক্ষ আৰু দল-নায়কসকলেও অশোকৰ নামত জয়ধ্বনি দিলে আৰু প্রত্যেকেই মূৰ দোঁৱাই নমস্কাৰ জনালে।

"এতিয়া আৰু দণ্ডমানো বিলম্ব নহয়, সূর্য্যোদয়ৰ আগতেই যুৱৰাজক লৈ পাটলিপুত্রলৈ বুলি ওলাব লাগিব।" যশে ক'লে, "ইয়াত কোন কোন দলনায়ক থাকিব, আৰু কোনসকল যুৱৰাজৰ সৈতে পাটলিপুত্রলৈ যাব—সেই কথা আমাৰ সেনাধ্যক্ষদেৱেই স্থিৰ কৰক।"

★

"প্রভু, আমাৰ মহাৰাজ স্বৰ্গী হ'ল।" এই বুলি কৈ, দূত এজন সুশেমৰ কক্ষলৈ সোমাই আহিল। তেতিয়া সুশেমে দুজন বিদেশী মানুহৰ সৈতে বহি সুৰাপান কৰি আছিল। এই বিদেশী জন আছিল এজন বণিজাৰ। কক্ষত থকা মেজৰ ওপৰত আছিল এডোখৰ অত্যুজ্জ্বল হীৰা। সেই হীৰকখণ্ডই কক্ষটো জলমলাই তুলিছিল।

সুশেমে দূতলৈ ৰঙা চকুৰে চাই সুধিলে, "মোৰ এই ব্যক্তিগত কক্ষলৈ — তোমাক কোনে সোমাবলৈ অনুমতি দিলে ?"

সমৱেত কণ্ঠেৰে এই কথা ধ্বনিত হ'ল।

উজ্জয়িনীৰ সেনাধ্যক্ষই কৈ উঠিল, "শুনিলোঁ — মহাৰাজ বিন্দুসাৰে যুৱৰাজ সুশেমৰ ৰাজ্যাভিষেক পাতিব বুলি নির্ণয় কৰিছে। কিন্তু — কিন্তু এই ৰাজ্যাভিষেক নহ'লেহে ভাল।"

"কিয় আপোনাৰ এই ইচ্ছা ?" যশে সেনাধ্যক্ষক সুধিলে।

"কিয়নো—সুশেম কেৱল দুষ্টয়েই নহয়, মূর্খও হয়। এই উদণ্ড স্বভাৱৰ ৰাজকোঁৱৰ যদি সুমহান মগধ সাম্রাজ্যৰ সিংহাসনত অধিষ্ঠিত হয়, তেনেহ'লে প্রজা-ৰাইজৰ কিখিনি বিঘিনি আলাই-আথানি হ'ব—মই নক'লেও হ'ব।" সেনাধ্যক্ষই ক'লে।

"তেনেহ'লে—এনে পৰিস্থিতিত—

"আপুনিয়েই অনুমতি দিছিল, প্ৰভু! কিবা সম্বাদ দিব লগা হ'লে—তৎক্ষণাৎ সেই সম্বাদ দিবলৈ কৈছিল।" দূতে ক'লে।

"হয়নে —?" সুশেমে ঈষৎ সন্দেহযুক্ত কণ্ঠেৰে সুধিলে, "পিতাশ্ৰীৰ—সঁচাসঁচিকে—মৃত্যু—হ'লনে ?"

"হয়, প্ৰভু, আমি সদ্যে এই সম্বাদ পালোঁ।" দূত সুবাহুৰে ক'লে।

সুশেমে বৈদেশিক বণিজাৰদ্বয়লৈ চাই ক'লে, "পাছত দেখাদেখি হ'ব। আৰু—" ক্ষন্তেকমানলৈ তভক খাই থকাৰ পাছত পুনৰ ক'লে, "আপোনালোকে কেৱল তক্ষশিলাতে বেহা-বেপাৰ কৰাৰ অনুমতি বিচাৰিছিল। মই আপোনালোকক সমগ্ৰ মগধ সাম্ৰাজ্যত বেপাৰ বণিজৰ অনুমতি দিম আপোনালোকে জোখে-জোখাৰে উপটৌকন লৈ পাছত আহিব।"

বৈদেশিক বণিজাৰদ্বয়ে-সুশেমলৈ যথোচিত অভিবাদন জ্ঞাপন কৰি গুচি যোৱাৰ আগতে কৈ গ'ল, "আপোনাৰ ৰাজ্যভিষেক সমাৰোহময়, হওক — আপোনাৰ ৰাজত্ব সমৃদ্ধিময় হওক।"

"সুবাহু —"

বিদেশী বণিজাৰদ্বয় ওলাই যোৱাৰ লগে লগে সুশেমে সুবাহুক ক'লে, "শীঘ্ৰে পাটলিপুত্ৰলৈ যোৱাৰ ব্যৱস্থা কৰাঁ। কেৱল দেহৰক্ষীৰেই হৈ যাবনে কিছুমান বছা বছা সৈন্যও লগত ল'ম ?"

"সৈন্যৰে সৈতে যোৱাটোৱেই ঠিক হ'ব যেন পাওঁ—কিয়নো বাটৰ বিপদৰ কথা—।" পিছফালৰপৰা কোনোবাই কৈ উঠিল।



সুশেমে ঘূৰি চালে। তাত পাটলিপুত্ৰৰ প্ৰধান গুপ্তচৰ দণ্ডায়মান আছিল। গুপ্তচৰ প্ৰধানে যুৱৰাজ সুশেমলৈ যথাবিহিত অভিবাদন জ্ঞাপন কৰিলে আৰু ক'লে, "মই সদ্যহতে পাটলিপুত্ৰৰপৰা আহিছোঁ। এতিয়া মই এটি অতি গুৰুত্বপূৰ্ণ বিষয় আপোনাৰ আগত নিবেদিম।— যুৱৰাজ অশোকে পাটলিপুত্ৰৰ দ্বাৰদেশ প্ৰায় পালেগৈ।"

"চুপ থাকা!"

সুশেমে প্ৰায় গৰ্জি উঠি ক'লে, "সেই যমৰো অৰুচি দাসীপুত্ৰ অশোক এতিয়া জঠৰ হৈ বিছনাত পৰি আছে, মৃত্যুৰ ক্ষণ গণি আছে। সিনো কেনেকৈ পাটলিপুত্ৰ পাবহি ?"

"তথাপি কওঁ — হে আমাৰ ভৱিষৎ-মহাৰাজ যুৱৰাজ প্ৰভু, অশোকে অশ্বপৃষ্ঠত উঠি

অশোকক বিহ খুৱাই জঠৰ কৰি পেলোৱাৰ কথা কৈছিল, আৰু সেই কাৰ্য্যৰ বাবে মোৰপৰা জোখে-জেখাৰে পুৰস্কাৰো লৈছিল। সিহঁত দুজনীক তুৰন্তে বিচাৰি আনা।" উত্তেজিত সুশেমে খঙতে কঁপি কঁপি ক'লে।

"সেই নৰ্তকী দুজনী এতিয়া ক'ত আছে, যুৱৰাজ ?" সুবাহুৱে সুধিলে।

"সেই কথা মই কেনেকৈ ক'ম ? সিহঁতে পুৰস্কাৰ লৈ গুচি গৈছিল। পিছে—আছে নিশ্চয় তক্ষশিলাতে। আমাৰ সৈন্যহঁতে দুজনী নাচনিয়াৰকো ধৰি আনিব নোৱাৰিবনে ?" সুশেমে ক'লে।

ঠিক তেতিয়াই — উজ্জয়িনীত থকা চোৰাংচোৱা এজন তালৈ হেঁপাই-ফোঁপাই সোমালহি। এই চোৰাংচোৱাজন আছিল সুশেমৰ চোৰাংচোৱা। তাক দেখা পায়েই সুশেমে আগ্ৰহৰে কৈ উঠিল, "সময়ৰ শৰ ! পিছে— অশোক, ঘোঁৰাত উঠি পাটলিপুত্ৰলৈ গ'ল তুমিও এই কথা ক'বলৈ অহা নাই নহয় — ?"

"অঃ ! সেই খবৰ-বাতৰি তেন্তে — পালেই ? কিন্তু অশোক যিক্ষণে পাটলিপুত্ৰলৈ বুলি ওলাল,ময়ো সিক্ষণেই তক্ষশিলালৈ বুলি ঢাপলি মেলিছিলোঁ।" চোৰাংচোৱাজনে টপৰকৰে ক'লে।

"সেই নাচনিয়াৰ দুজনীক —" মুহূৰ্তমান ৰৈ সুশেমে চোৰাংচোৱাক সুধিলে, "অশোকে — জঠৰত — পাটী লোৱা নাইনে ? সি এতিয়া — পক্ষাঘাতগ্ৰস্ত নহয় জানো ?"

"পক্ষাঘাত ! অশোক দেখোন দুৰন্ত গতিৰে পাটলিপুত্ৰলৈ যোৱাৰ দৃশ্য—মই নিজ চকুৰেই দেখা পাইছোঁ।" গুপ্তচৰ প্ৰধানে দৃঢ়তাৰে ক'লে।

"কি কোৱাঁ !"

বিস্ময়ৰ কোবত হতভম্ব হৈ পৰা সুশেমে ভোৱাভোৱাই কৈ থাকিল, "এয়ানো — কেনেকৈ সম্ভৱ ?"

"প্ৰভু, মোৰ কথা যদি মিছা হয়, মোক তৎক্ষণাৎ হত্যা কৰিব। কিন্তু — আৰু মুহূৰ্তমানো বিলম নকৰি পাটলিপুত্ৰলৈ ৰাওণা কৰকেই — নহ'লে — মোক দণ্ডদান কৰাৰ ক্ষমতাও কিজানি হেৰুৱাব।" গুপ্তচৰ-প্ৰধানে সুশেমক ক'লে।

"উজ্জয়িনীৰপৰা অহা সেই নৰ্তকী দুজনী ক'ত আছে—ধৰি লৈ আহাঁ। সিহঁত দুজনীয়ে

আগতকৈয়ো। সুস্থদেহী! দুৰন্ত বেগৰে ঘোঁৰা চলাই ওলাল দেখোন!" চোৰাংচোৱাই সুশেমক ক'লে।

"মনে মনে থাকা! —যেনেতেনে সেই দগাবাজ নাচনিয়াৰ দুজনীক বিচাৰি উলিয়াই সিহঁতক টুকুৰা-টুকুৰ কৰি পেলাব লাগে।"

তেতিয়া বেলিয়ে ৰাঙলী ৰহন বোলাইছে। মহাৰাজ বিন্দুসাৰৰ মৃতদেহ অন্ত্যেষ্টিৰ বাবে নদীতটলৈ লৈ অহা হৈছে। তেওঁৰ ছয় পুত্ৰ তাত দণ্ডায়মান। কিন্তু কোন জন পুত্ৰই মুখাগ্নি কৰিব— তাৰ নিৰ্ণয়-নিশ্চয়তা এতিয়ালৈকো হোৱা নাই।

"ছয় পুত্ৰকে এই কাৰ্য্যৰ দায়িত্ব দিব পাৰিনে?" সেনাধিপতিয়ে মহামন্ত্ৰীক সুধিলে।

মহামন্ত্ৰীয়ে ৰাজ-পুৰোহিতলৈ চালে আৰু সুধিলে, "মুখাগ্নি কৰাৰ সময় আসন্ন হ'লনে?"

"আৰু মাত্ৰ এক দণ্ড সময় আছে।" ৰাজ-পুৰোহিতে ক'লে। মহামন্ত্ৰীয়ে ক'লে, "অশোক যিকোনো মুহূৰ্ততে পাটলিপুত্ৰ পাবহি বুলি খাটাং খবৰ পোৱা হৈছে। জ্যেষ্ঠপুত্ৰ সুশেমৰ পাছত — নিশ্চয় অশোকেই মুখাগ্নি কৰাৰ যোগ্য?"

ৰাজ-পুৰোহিত ক'লে, "ওঁ, এয়ে-ধৰ্ম-সম্মত।"

ইতিমধ্যে ধ্বনি উঠিলঃ যুৱৰাজ অশোক আহিল, যুৱৰাজ অশোক আহি গ'ল!"

কিন্তু এজন সৈনিকে দৌৰি দৌৰি আহি মহামন্ত্ৰীক ক'লেহি, "যুৱৰাজ অশোকক ৰাজধানীলৈ সোমাবলৈ কিছুমান সৈন্যই বাধা দিছে। যুৱৰাজ অশোকলৈ আৰু তেওঁৰ সৈন্যবাহিনীলৈ চটাচটে শিল দলিয়াইছে!"

"হে ঈশ্বৰ!"

ৰাজ-পুৰোহিতে খেদৰে সৈতে কৈ উঠিল, "এয়েনে কলহ-বিবাদৰ সময়? ইহঁতৰ বুদ্ধি-বৃত্তি নাশ হ'লনে?" পুৰোহিতে আন্তৰিক দুঃখ প্ৰকাশ কৰিলে।

তৎক্ষণাৎ সেনাধিপতি ওচৰস্থ টিলা এটাৰ ওপৰত দণ্ডায়মান হ'ল আৰু তাৰপৰা আদেশ কৰা হ'ল, "আমাৰ কোনো সৈনিকেই যুৱৰাজ অশোকক কোনো প্ৰকাৰৰ বাধা নিদিয়ক। এই ৰাজকীয় আদেশ যিজনে উলংঘা কৰিব— সেইজনক সুনিশ্চিতভাবে মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হ'ব।"



রাজকোঁৱৰহঁতে আগতেই কিছুমান দল-নায়কক জোখে-জোখাৰে পুৰস্কাৰ-উপহাৰৰূপী বখছিছ দিছিল, আৰু সেইহে সেইবোৰে অশোকক প্ৰাণপণে বাধা দিবলৈ চেষ্টা কৰিছিল। অশোকৰ লগতো যে এক বিশাল সুদক্ষ সৈন্যবাহিনী আছে — সেই কথালৈ এই ভেটিখোৱা সৈন্যহঁতে মনেই কৰা নাছিল।

যশে অশোকৰ সৈন্যবাহিনীলৈ এই আদেশ দিলে যে — অশোকক আক্ৰমণকাৰী যেইকোনো সৈন্যক বিনাপ্ৰশ্নে বধ কৰিব পৰা যাব, অনুমতিলৈ বাট চাব নালাগিব।

সিপিনে — সেনাধিপতিয়ে অশোকক ৰক্ষাৰ বাবে তেওঁৰ সৈন্যবাহিনীক উৎসাহ যোগাইছিল আৰু সৈন্যসকললৈ কৈ আছিল ঃ

"এই ছয় ৰাজকোঁৱৰে জ্যেষ্ঠ ৰাজকোঁৱৰ সুশেমলৈ বাট চাই আছে। যুৱৰাজ অশোকৰ প্ৰতি এই ৰাজকোঁৱৰহঁতৰ ঈৰ্ষা—এক সুবিদিত ঘটনা। কিন্তু ইহঁতে বৃদ্ধ মহাৰাজ বিন্দুসাৰৰ মৃত্যুকালত — বিশেষকৈ অন্ত্যেষ্টিকালতে এনেকুৱা অসতৰো অসৎ আচৰণ কৰিব, সেই কথা আছিল আমাৰ কল্পনাৰো বাহিৰ।" মহামন্ত্ৰীয়ে অতি পৰিতাপৰে ক'লে।

"অন্ত্যেষ্টিৰ সময় সমাসন্ন। কিন্তু—কি যে কৰা উচিত — তাকেহে ভাবি সিদ্ধান্ত ল'ব নোৱাৰিছোঁ। ৰাজ-পুৰোহিতে নিজেই নিজক কোৱাদি ক'লে।

আৰু ঠিক সেইছোৱা সময়তে অশোক তাত সোমালহি।

"সুস্বাগতম্, যুৱৰাজ! এনেহেন এক বেদনাগধুৰ সময়ত আপুনি এনেকুৱা বিষম এক পৰিস্থিতিৰ মাজত সোমাই পৰিবলগা হ'ল যে — তাৰ বাবে মই আন্তৰিক দুঃখিত। তথাপি, আপুনি যে সকুশল আহি পালেহি, এয়ে যথেষ্ট।" মহামন্ত্ৰীয়ে ক'লে।

"যুৱৰাজ, পিতৃৰ মুখাগ্নি কৰাৰ বাবে প্ৰস্তুত হওক।" ৰাজ-পুৰোহিতে অশোকক ক'লে।

তাৰ পাছত মহাৰাজ বিন্দুসাৰৰ অন্ত্যেষ্টিৰ কাৰ্য্য সুকলমেই অনুষ্ঠিত হ'ল।

"সিংহাসন শূন্য থাক উচিত নহয়। যিজনে প্ৰয়াত মহাৰাজৰ মুখাগ্নি কৰিব, সেইজনেই হ'ব সিংহাসনৰ উত্তৰাধিকাৰী। আজিয়েই ৰাত্ৰিৰ প্ৰথম প্ৰহৰতে আপোনাৰ মুকুটভিষেক হ'ব লাগিব। এই বাবে যাৱতীয়-বন্দৱস্ত

সুচাৰুৰূপে কৰি থোৱা হৈছে।" মহামন্ত্ৰীয়ে অশোকক পৰিস্থিতিৰ কথা বুলাই ক'লে।

মহামন্ত্ৰীৰ কথাখিনি শুনি যুৱৰাজ অশোক চিন্তামগ্ন হ'ল। তেওঁ মনে মনে মগধ সাম্ৰাজ্যৰ বৰ্তমান পৰিস্থিতিৰ মূল্যায়ন কৰি থাকিল। তেওঁ ভাবি থাকিল ঃ মই যদি এই মহান দায়িত্ব পালন কৰিবলৈ আগবাঢ়োঁ, তেতিয়া যি হৈ-হুলস্থূল হ'ব—চম্ভালিব পাৰিমনে ? কিন্তু যদি মই মহামন্ত্ৰীৰ তথা ৰাজ-পুৰোহিত আৰু অন্যান্যবোৰ মত ওফৰাই পেলাই বিৰুদ্ধতা কৰোঁ—তাৰ ফলাফলো দেখোন ভয়ানক হ'ব। ইয়াকে কিজানি বোলে—আগত গজহস্তী পাছত মাৰখাঁৰৈ!

সেই সুবৃহৎ কক্ষত বহি থকা মহামন্ত্ৰী, ৰাজ-পুৰোহিত, সেনাধিপতি আৰু তেওঁলোকৰ লগতে সাম্ৰাজ্যৰ গণ্যমান্যবৰেণ্য সকলো নিশ্চুপ-নিশৱদ হৈ বহি আছিল এক সুগম্ভীৰ জটিল পৰিস্থিতিৰ মাজত।

ইতিমধ্যে মহামন্ত্ৰীয়ে কেইবাবাৰো কিবাকিবি ক'বলৈ চেষ্টা কৰিও ব্যৰ্থ হৈছিল। তেওঁ যুৱৰাজ অশোকৰ চিন্তাযুক্ত অবয়বলৈ চাই কিঞ্চিত ভীতয়েই হৈ উঠিছিল। ভাবিছিল ঃ এতিয়া যদি যুৱৰাজ অশোকে মগধ সাম্ৰাজ্যৰ শাসনভাৰ ল'বলৈ সন্মত নহয়—তেনেহ'লে আজিৰেপৰাই মগধ সাম্ৰাজ্য বিনষ্ট হৈ থাকিব যে—সেই কথাত তিলমানো সন্দেহ নাই। আৰু—আৰু বিকল্পও একোৱেই নাই। কিয়নো—যুৱৰাজ অশোক বাদে—বাদবাকী ৰাজকোঁৱৰহঁতো যুৱৰাজ—কিন্তু নামতহে—কামত নহয়। তেনেহ'লে — কি হ'ব ?

"মই মগধ সাম্ৰাজ্যৰ শাসনৰ দায়িত্ব কঢ়িয়াবলৈ প্ৰস্তুত। মুকুটাভিষেক সম্পন্ন কৰা হওক, কিন্তু এই উপলক্ষ্যে সামান্যতম সমাৰোহও এতিয়া অনুষ্ঠিত হ'ব নালাগে।" নীৰৱতা ভংগ কৰি অশোকে ক'লে।

"আপোনাৰ কথা — আপোনাৰ উন্নত মনোপ্ৰবৃত্তিৰ সাক্ষী।" মহামন্ত্ৰীয়ে অপাৰ আনন্দৰে মন্তব্য কৰিলে।

অলপ সময়ৰ অন্তত জনা গ'ল যে যুৱৰাজ অশোকক হত্যা কৰিবলৈ চেষ্টা কৰা সকলো সৈন্যক আৰু লগতে ছয় ৰাজকোঁৱৰকো হত্যা কৰা হৈছে। এই বাতৰিয়ে ৰাজপ্ৰাসাদলৈ দুখৰ টো বোৱাই আনিলে সমগ্ৰ ৰাজ-প্ৰাসাদ বিলাপ-ধ্বনিৰে পূৰ্ণ হৈ উঠিল।

[আগলৈ

যাৰ আৰম্ভ আছে, শেষ নাই

অদম্য বিক্ৰমাদিত্য ৰজাই তথাপি যেতিয়া পুনৰ সেই মৃতদেহটা গছৰ ডালৰপৰা নমাই আনি কান্ধত পেলাই লৈ আউসীঁৰ কিচকিচীয়া এন্ধাৰ ফালি ফালি কিনকিনীয়া বৰষুণৰ মাজেদি ভূত-পিশাচৰ আবাসস্থল মৰিশালিলৈ গৈ থাকিল, তেতিয়া সেই মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিলঃ “হে ৰজা বিক্ৰমাদিত্য, তুমি কিবা ধৰণৰ গুৰুদক্ষিণা দিবলৈ এনেহেন ব্যৰ্থ শ্ৰম কৰিছানে ? গুৰু— গুৰুৱেই, যদিও সকলো গুৰুৱে গুৰুৰ দক্ষিণাৰূপী মান-মৰ্য্যাদা যথোচিতভাবে নাপাই শিষ্যহঁতক অযথা উত্তেজিত কৰি তোলে। আকৌ কিছুমান গুৰুৱে নিজৰ দক্ষিণাপ্ৰাপ্তিৰ আঁৰত শিষ্যৰ দ্বাৰা অকল্পনীয় শ্ৰম কৰোৱায়, আৰু সেই শ্ৰমৰ যোগেদি অধ্যয়নজনিত জ্ঞানৰ অসম্পূৰ্ণতাক সম্পূৰ্ণ কৰিবলৈ শিষ্যক বাস্তৱতাৰ জ্ঞান দিয়ে। আজি মই তোমাক গুৰু উপাসকৰ কাহিনী ক'ম, যিজন গুৰুৱে কৈছিলঃ শিক্ষাৰ আৰম্ভ আছে, শেষ নাই।” এই বুলি কৈ, বেতালে পুনৰ কৈ থাকিল ঃ

বেতাল-কথা



সুপ্ৰাচীন দিনৰ কথা। তেতিয়াৰ দিনত বদৰিকা বনত থকা গুৰুকুল আৰু সেই গুৰুকুলৰ গুৰু আছিল আনকি সেই দেশৰ বাহিৰতো জনা-জাত। আশ্ৰমখনৰ নাম আছিল বদৰিকাশ্ৰম, আৰু গুৰুজনাৰ নাম আছিল উপাসক। এই আশ্ৰমৰ তথা গুৰুকুলৰ বিশেষত্ব আছিল এয়ে যে—ইয়াত থকা শিষ্য সকলৰ 'শিক্ষাকাল' বোলা একো নাছিল, সমগ্ৰ জীৱনকাল ধৰিয়েই শিষ্যসকলে শিক্ষা ল'ব পাৰিছিল আৰু কৰ্মৰ যোগেদি শিক্ষাৰ বিকাশ কৰিবলগীয়া হৈছিল।

গুৰুকুলৰ গুৰু উপাসকদেৱে কৈছিলঃ

"শিক্ষাৰ আৰম্ভ আছে, শেষ নাই। মোৰ ছাত্ৰসকলক মই জীৱনকাল ধৰি শিক্ষাদান কৰোঁ, আৰু ছাত্ৰসকলক শিক্ষদান কৰোঁতে—মই নিজেও শিক্ষা গ্ৰহণ কৰোঁ। মোৰ কথা হ'ল—শিষ্যই পাৰেমানে শিক্ষা গ্ৰহণ কৰক, শিক্ষাৰ কোনো সীমা নাবান্ধক। শিষ্যই কিমান শিক্ষা ল'ব, তাৰ উত্তৰ গুৰুৰ হাতত নহয়, শিষ্যৰ হাততে।"

গুৰুকুলত থাকোঁতে যিকোনো শিষ্যয়েই দৈহিক শ্ৰম কৰিব লাগিব। এই দৈহিক শ্ৰম—শিক্ষাৰ অংগ। শিষ্যবৰ্গই গুৰুকুলৰ বাবে শস্যাদি উৎপাদন কৰিব, ফল-ফুল উৎপাদন কৰি, বাসস্থান নিৰ্মাণ কৰিব, সকলোটিয়েই সকলোটিৰ কাৰণে শ্ৰম কৰিব। গুৰু উপাসকৰ মতে—এয়ে হ'ল প্ৰকৃত গুৰু-দক্ষিণা।

এদিন ৰঞ্জন আৰু ভঞ্জন নামৰ দুজন ছাতৰে গুৰু উপাসকৰ শিষ্যত্ব গ্ৰহণ কৰিলে আৰু গুৰুকুলতে থাকিবলৈ ল'লে। ৰঞ্জন আৰু ভঞ্জনে গুৰু উপাসকক ক'লে, "গুৰুবৰ, আমি বিশেষকৈ চিকিৎসাশাস্ত্ৰত পাৰ্গতালি লভিবলৈ আপোনাৰ কাষ চাপিছোঁ। যিমান সোনকালে আমাৰ চিকিৎসাবিদ্যা-অধ্যয়নৰ অন্ত পৰিব, সিমানেই সোনকালে আমি গুচি যাম। আপোনাৰ আন শিষ্যসকলে যেনেকৈ দৈহিক শ্ৰম কৰে, আমি—তেনেকৈ শ্ৰম কৰিবলৈকো নিবিচাৰোঁ, কিয়নো, সেইখিনি সময়তো আমি বিদ্যাভ্যাস কৰিবলৈ বিচাৰোঁ। আমাক সদা-সৰ্বক্ষণেই বিদ্যাভ্যাস কৰিবলৈ দিয়ক—এয়ে আপোনাৰ ওচৰত আমাৰ বিনীত প্ৰাৰ্থনা।"

গুৰু উপাসকে ৰঞ্জন-ভঞ্জনৰ এই আবেদন মানি ল'লে। কিন্তু এই কথা জানি আন শিষ্যসকলে উপাসক গুৰুক ক'লে, "গুৰুকুলৰ ৰীতি-নীতি সকলো শিষ্যৰ বাবে একেই হ'ব নালাগেনে, গুৰুবৰ ?"

গুৰু উপাসকে মিচিকীয়াই হাঁহিৰে ক'লে, "ৰঞ্জন আৰু ভঞ্জনে সিহঁতৰ জীৱনৰ প্ৰথমৰেপৰাই শ্ৰম কৰিছিল। এতিয়া সিহঁতৰ মনত শিক্ষালৈ ধাউতি জাগিল। আৰু— তোমালোক হ'লা দৈহিক শ্ৰমত অনভিজ্ঞ, এতেকে শ্ৰম হ'ল তোমালোকৰ শিক্ষাৰ অতি আৱশ্যকীয় অংগ। ৰঞ্জন-ভঞ্জনে আগৰেপৰাই ঢেৰ শ্ৰম কৰাৰ কাৰণেই সিহঁতক গুৰুকুলত শ্ৰম কৰাৰপৰা ৰেহাই দিয়া হৈছে।"

তথাপি শিষ্যসকলে ক'লে, "গুৰুবৰ, শ্ৰমেই হ'ল গুৰুদক্ষিণা — এই কথা আপুনি কোৱা নাছিলনে? এতিয়া কৈছে যে — শ্ৰম হ'ল শিক্ষাৰ অংগ। আপুনি তেন্তে ৰঞ্জন— ভঞ্জনৰপৰা গুৰুদক্ষিণা লয়নে কি?

"মই সকলো শিষ্যৰেপৰাই গুৰুদক্ষিণা ল'ম। এটা কথা জানি থোৱা—বিদ্যাভ্যাসৰ কালতে হওক বা বিদ্যাভ্যাসৰ অন্ততেই হওক —দৈহিক শ্ৰম—ৰঞ্জন-ভঞ্জনেও কৰিবই লাগিব। বিদ্যাভ্যাসৰ পাছতহে সিহঁতে জানিব যে দুখ কৰিলেহে মুখ ভৰে।" গুৰুৱে ক'লে।

গুৰুৱে যি কয় তাৰ গভীৰ তাৎপৰ্য্য আছে —সেই কথা শিষ্যসৱে জানিছিল। গতিকে— গুৰুৰ উত্তৰত তুষ্ট আৰু নিশ্চিন্ত হৈ শিষ্যসকল তাৰপৰা গ'লগৈ।

এইদৰে তিনি বছৰ অতিবাহিত হ'ল। এদিন ৰঞ্জন আৰু ভঞ্জনে গুৰু উপাসকক ক'লে, "গুৰুদেৱ, আজিলৈকে আমি যিখিনি শিক্ষা গ্ৰহণ কৰিলোঁ, জীৱিকাৰ্জনৰ বাবে সেইখিনি যথেষ্ট। অনুগ্ৰহ কৰি আমাক গৃহলৈ উভতি যাবলৈ অনুমতি দিয়ক।"



"গুৰু-দক্ষিণা নিদিয়াকৈয়েই গুচি যাবানে?" গুৰু উপাসকে সুধিলে।

গুৰুৰ কথা শুনি দুয়োজন শিষ্যয়েই কিঞ্চিত দমি গ'ল, দুয়োজনেই গুৰুক সুধিলে, "কওক, দক্ষিণা হিচাপে আপুনি কি বিচাৰে।"

"অন্য অন্য শিষ্যসকলৰ দৰে তোমালোকেও দৈহিক শ্ৰম কৰাহেঁতেন— আৰু দক্ষিণাৰ প্ৰশ্ন নুঠিলহেঁতেন, কিন্তু শ্ৰমৰ ক্ষেত্ৰত তোমালোকে একোৱেই নকৰিলা। তোমালোকে মোৰপৰা তিনি বৎসৰাধিক কাললৈ শিক্ষা ল'লা, আৰু সেই শিক্ষা সাধাৰণ শিক্ষা নাছিল। তোমালোকে নিজ নিজ ঠাইলৈ যোৱা, আৰু বৈদ্যবৃত্তি আৰম্ভ কৰাঁ। মই — আজিৰপৰা ঠিক এবছৰৰ অন্ত তোমালোকৰ



ওচৰলৈ যাম আৰু গুৰু-দক্ষিণা হিচাপে প্ৰতিজনৰপৰা একলক্ষকৈ মুদ্ৰা ল'ম।" গুৰু উপাসকে ক'লে।

"এবছৰতে এলাখ মুদ্ৰা ! আমি—কেনেকৈনো আৰ্জিম ?" দুয়ো কৈ উঠিল।

"মোৰ মৰমৰ শিষ্যদ্বয়, এই দেশৰ ৰজা প্লৱঙ্গদেৱ কিবা এক বিচিত্ৰ ব্যাধিৰে আক্ৰান্ত আৰু তেওঁ শয্যাশায়ী হৈ আছে। তোমালোকে এই ব্যাধিৰ দৰব বিচাৰি উলিয়াব পাৰিলেই— আৰু অধিকেই পাবা কিজানি। আগ্ৰহ থাকিলে আৰু শ্ৰম কৰিলে — অসাধ্যও সাধ্য হয়।" গুৰুৱে ক'লে।

তাৰ পাছত—ৰঞ্জন গ'ল তাৰ জন্মভূমি ভুৱনগিৰিলৈ, আৰু ভুৱনগিৰিৰ সুবিখ্যাত বৈদ্য চণ্ডিদাসক আত্মপৰিচয় দিয়াৰ অন্তত ক'লে যে—দেশৰ ৰজা প্লৱঙ্গদেৱৰ বিচিত্ৰ ব্যাধিৰ দৰব বিচাৰি উলিয়াবলৈ তেওঁৰ সহায় লাগে। যদি সফল হয়, তেনেহ'লে মহাৰাজৰপৰা প্ৰাপ্ত পুৰস্কাৰ দুজনে সম-পৰিমাণে ভগাই ল'ব।

বৈদ্য চণ্ডিদাসে ৰঞ্জনক ক'লে, "তুমি—গুৰু উপাসকৰ শিষ্য নহয়নে ? দৈহিক শ্ৰমৰ ভয়ত বহুতেই গুৰু উপাসকৰ ওচৰলৈ নোযোৱা হয়, তেওঁৰ শিষ্যত্ব নলয়। তুমি যে তেওঁৰ শিষ্যত্ব লৈছিলা—তোমাৰেই সৌভাগ্য। তেওঁৰপৰা প্ৰাপ্ত চিকিৎসাবিদ্যাৰ জ্ঞান স্বৰ্গস্থ ধনন্তৰী অশ্বিনীকুমাৰদ্বয়ৰ জ্ঞানৰ তুল্য বুলি কোৱা হয়।" বৈদ্য চণ্ডিদাসে মুহূৰ্তমান ৰৈ, গভীৰভাৱে ভাবি লৈ পুনৰ ক'লে, "ঠিক আছে, মই তোমাৰ লগত মোৰ ছোৱালীজনীৰ বিয়া পাতি দিম, আৰু তাৰ পাছত দুয়ো মিলি বৈদ্যবিদ্যাৰেই বইনাইদি কোঁচাম।"

চণ্ডিদাসবৈদ্যৰ এই প্ৰস্তাৱত ৰঞ্জনে ভালেই পালে। কিন্তু ৰঞ্জন তেতিয়াও একমনে মহাৰাজ প্লবঙ্গৰ বিচিত্ৰ ব্যাধিৰ দৰবৰ কথাটোহে ভাবি আছিল, আৰু পুনৰ সেই কথাকে চণ্ডিদাসক সুধিলে।

"এই ব্যাধি—এক বিচিত্ৰ ব্যাধি। ময়ো এই ব্যাধিৰ নিৰাময়ৰ কাৰণে দৰব বিচাৰি উলিয়ামেই বুলি স্থিৰ সংকল্প লৈছিলোঁ। কিন্তু — নতুন দৰব-প্ৰয়োগ নকৰাকৈ ব্যৱহাৰ কৰিব নাপায়। ইপিনে এই ব্যাধিৰে আক্ৰান্ত সাধাৰণ মানুহ এজনো বিচাৰি নাপাওঁ। গতিকে—প্ৰথমেই সেই দৰব স্বয়ং দেশৰ ৰজাৰ ওপৰত প্ৰয়োগ কৰাৰ সাহস নহ'ল। কিবা যদি ইফাল-সিফাল হয়, মুণ্ডচ্ছেদ হ'ব।

সেইহে, এই দিশলৈ আগবঢ়াৰপৰা মই বিৰত হৈ আছোঁ, আৰু থাকিমও। মোৰ পৰামৰ্শ হ'ল- এই ৰাজকীয় ব্যাধিৰ কথা পাহৰি যোৱাই ভাল, নহ'লে সেয়ে হ'ব পাৰে আমাৰ কাল।" বৈদ্য চণ্ডিদাসে ক'লে।

ৰঞ্জনে বৈদ্য চণ্ডিদাসৰ ছোৱালীক বিয়া কৰালে। আৰু শহুৰে-জোঁৱায়েকে মিলি চিকিৎসাত মন দিলে। ৰঞ্জন যে গুৰু উপাসকৰ শিষ্য—সেই কথা শহুৰেক চণ্ডিদাসবৈদাই সকলোতে পাৰ্য্যমানে প্ৰচাৰ কৰিলে। লগতে —ৰঞ্জনৰ চিকিৎসা-পদ্ধতি যে অসাধাৰণ— সেই কথাটোও পঞ্চমুখে কৈ ফুৰিলে। আৰু তাৰ ফলত-দহোখন গাঁৱৰ, আৰু আনকি চহৰৰপৰাও বেমাৰীৰ সোঁত ব'বলৈ ধৰিলে।

ৰঞ্জনে তেওঁৰ গুৰু উপাসকৰ বিৰাট চিত্ৰ এখন বেমাৰী-চোৰা-কোঠাৰ বেৰৰ গাত আঁৰি থৈছিল। বেমাৰীহঁত গোট খোৱাৰ পাছত সেই চিত্ৰখনলৈ যথাযথ মৰ্য্যাদাৰে পূজা আগ কৰাৰ অন্ততহে ৰঞ্জনে বেমাৰীক চাইছিল।

গুৰু উপাসকৰ সাক্ষাৎ শিষ্য হিচাপে— অৰ্থাৎ প্ৰায় ধন্বন্তৰী হিচাপে প্ৰচাৰ পোৱাত ৰঞ্জনে বেমাৰীৰ বাট চাই বৈ থাকিবলগীয়া নহৈছিল। আৰু এবছৰ নৌঘূৰোঁতেই একলাখতকৈ ঢেৰ অধিক মুদ্ৰা সাঁচিব পাৰিছিল।

ইপিনে—ভঞ্জনেও বহি থকা নাছিল। ভঞ্জনে তাৰ ওপজা-ঠাই পৱনগিৰিলৈ গৈ— কেনেকৈ কি কৰিব পাৰি, কেনেকৈ কি কিটি পেৰে খৰে-ধৰে লাখ-দুলাখ আৰ্জিব পাৰি— তাৰ চিন্তাত আৰু উপায় উলিউৱাত মন দিছিল।

কিছুদিনৰ পাছত উপায় এটা মিলিল। তেতিয়া পৱনগিৰিত নন্দন নামৰ যুৱক এজনক লৈ মহা হৈ-হুলস্থূল লাগি পৰিছিল। সকলোটিয়েই একেটা কথাকে কৈ থাকিল যে —নন্দনৰ গাত ভূতে লম্ভিলে।

সেই অঞ্চলত মহীধৰ নামৰ এজন ভূত-খেদোৱা ওজা আছিল। দৰাচলতে—মহীধৰ আছিল তান্ত্ৰিক। নন্দনক ভাল কৰি তোলাৰ বাবে তান্ত্ৰিক মহীধৰক মতাই অনোৱা হ'ল।

নন্দনৰ প্ৰকৃত বেমাৰ কি—নিৰ্ণয় কৰিব পাৰি নন্দনৰ মাক-বাপেকক বৈদ্যশাস্ত্ৰী ভঞ্জনে ক'লে, "আপোনালোকৰ ল'ৰাটিৰ গাত বা ক'তো কোনো ভূত-ভূতুনীয়ে লম্ভা নাই। তাৰ আচলতে মূৰৰ বেমাৰহে হৈছে। মই তাক চিকিৎসা কৰি ঠিক কৰি দিব পাৰোঁ। সি পুনৰ আগৰ দৰে সুস্থ মনৰ মানুহ হৈ উঠিব।"

কিন্তু নন্দনৰ মাক-বাপেকে বৈদ্যশাস্ত্ৰী ভঞ্জনৰ কথাত পতিয়ন নগ'ল। তেওঁলোকে তান্ত্ৰিক মহীধৰৰপৰা এই বিষয়ে পৰামৰ্শ বিচাৰিলে।

তান্ত্ৰিক মহীধৰে এক বিকট গিৰ্জনি মাৰি ক'লে, "কালভৈৰৱ বিতুষ্ট। বৈদ্যশাস্ত্ৰী ভঞ্জনক মোৰ ওচৰলৈ তুৰন্তে পঠোৱা। নহ'লে — সৰ্বনাশ হ'ব কৈ থৈছোঁ —।"

বৈদ্যশাস্ত্ৰী তান্ত্ৰিক মহীধৰৰ ওচৰলৈ আহিল। কিছু সময় ধৰি দুয়োৰো মাজত বাচ্যাবাচ্যি চলিল। তান্ত্ৰিক মহীধৰে এইটি কথা ফটফটীয়াকৈ গমিলে যে—ভঞ্জন বুদ্ধিমন্ত মানুহ আৰু তাৰ ৰোগ-নিৰ্ণয়ৰ ক্ষমতাও আছে।

মহীধৰে তাৰ তৰ্জন-গৰ্জন এৰি কিছু কুমলিল, আৰু ভঞ্জনক কৈ থাকিল, "শুনা, বেজ-বৈদ্যৰ অভাৱ নাই, কিন্তু প্ৰকৃত ভূত-জৰা-ওজা—কৌটিতে গুটি। এতিয়া—ভাবা, ভাবি চোৱা, তোমাৰ বেজালি আৰু মোৰ ওজালি যদি এক হয় — তেনেহ'লে দুনীয়াত কি নহয়? আনকি নোহোৱাকো হোৱাব পৰা হয়। হয়নে নহয়? শুনা, মোৰ বেটীক তুমি কৰোৱা বিয়া, আৰু মোৰ সৈতে হাত মিলোৱা। আৰু তেতিয়া চাই থাকা — সোনীয়েদি সিঁচন কিহৰ নাম।"

শুনি ভঞ্জনে যেনিবা গুপ্তধন পোৱাদিয়েই ভাল পালে। ভঞ্জনে তান্ত্ৰিক মহীধৰৰ 'দাদাগিৰি' মানি ল'লে আৰু দুয়োৰো প্ৰচেষ্টাৰে এপষৰ ভিতৰতে নন্দনৰ মূৰৰ বিকৃতি ঠিক হৈ গ'ল।

আৰু তাৰ পাছৰ কথা—যেনিবা গছত গৰু উঠা কথা। ভঞ্জন আৰু মহীধৰে—বৈদ্য আৰু তান্ত্ৰিকে মিলি—সকলোবিধৰ বেমাৰকে ভূত-প্ৰেত লম্ভাজনিত বেমাৰলৈ পৰ্য্যৱসিত কৰি—ধনেদি ডাঙৰ ডাঙৰ মঠ বান্ধিলে।



এইদৰে, ছমাহতে ভঞ্জনে দুইলাখৰো অধিক কোঁচাব পৰা হ'ল। কিন্তু সি যে গুৰু উপাসকৰ শিষ্য—সেই কথাটো কাকপক্ষীকো নক'লে। আনকি—প্ৰতিশ্ৰুতিমতে—গুৰু-দক্ষিণাও একোপধ্যোই নিদিব বুলি পেটে-পেটে স্থিৰ কৰা হ'ল।

ভঞ্জনে ৰইনাইদি কোঁচাইছিল, কিন্তু ধন পোৱাৰ দৰে ৰাইজৰ মন কিন্তু পোৱা নাছিল। কিয়নো—তান্ত্ৰিক মহীধৰক ৰাইজে টানে-মস্কিলে মাতিছিল, যদি তাৰ প্ৰতি ৰাইজৰ মৰম-শ্ৰদ্ধা একোৱেই নাছিল। আৰু সেইহে—ভঞ্জন ভাল বৈদ্য হোৱা সত্বেও 'মহীধৰৰ লগৰটো'ৰ উৰ্ধলৈ উঠিব পৰা নাছিল।

ঠিক এবছৰৰ অন্তত গুৰু উপাসকে তেওঁৰ শিষ্যদ্বয়ৰ ওচৰলৈ যাবলৈ ওলাল। প্ৰথমে তেওঁ একো খবৰ-বাতৰি নিদিয়াকৈ পৱনগিৰিলৈ আহিল, আৰু আৰ-তাৰপৰা ভঞ্জনৰ বিষয়ে খবৰ-খাতি ল'লে। গুৰু উপাসকে গমিলে যে—তেওঁৰ শিষ্য ভঞ্জনবৈদ্য এতিয়া ভূত-বৈদ্য হ'ল আৰু লোকক চেপাত পেলাই কেৱল ধনহে সৰকোৱা হ'ল।

গুৰু উপাসক যেতিয়া ভঞ্জনৰ ঘৰলৈ গ'ল, তেতিয়া ভঞ্জনে ঘৰত থাকিও 'ঘৰত নাই' বুলি কৈ পঠালে। আৰু—ভঞ্জনৰ শত্ৰুৰেক তান্ত্ৰিক মহীধৰে গুৰু উপাসকক ক'লে যে তেওঁৰ সম্পৰ্কে কস্মিনকালেও একো নাই শুনা।

"মই ভঞ্জনৰ গুৰু। মোক ভঞ্জনে যি গুৰুদক্ষিণা দিব বুলি কৈছিল, তাতকৈ অধিক পালোঁ। তাক ক'ব যে মই তৃপ্ত অন্তৰেৰে তুষ্ট হৈ গ'লোঁগৈ।" এই বুলি কৈ, গুৰু উপাসক

ভঞ্জনৰ গাঁও এৰি গুচি গ'ল।

তাৰ পাছত গুৰু উপাসক ৰঞ্জনৰ গাঁও—ভুৱনগিৰিলৈ গ'ল। ৰঞ্জনে গুৰুৰ কাৰণে দক্ষিণাস্বৰূপে একলাখ মুদ্ৰা দিবলৈ ধৰাত গুৰু উপাসকে ক'লে, "তুমি অতি কম দিনতে-চিকিৎসা কৰি-ইমান ধন আৰ্জিলা যে—মই আচৰিতেই মানিছোঁ। যি কি নহওক, আশা কৰোঁ, তুমি কোনোবাদিনা মৰ্য্যাদাপূৰ্ণ দক্ষিণা মোক দিবা। মহাৰাজ প্ৰৱঙ্গৰ ব্যাধি মই ভাল কৰিলোঁ, সেই বিষয়ে আৰু নাভাবিলেও হ'ব।" এই বুলি কৈ, গুৰু উপাসকে তেওঁৰ আশ্ৰমলৈ বুলি খোজ-ল'লে।

এই কাহিনী সমাপ্ত কৰাৰ অন্তত বেতালে পুনৰ ক'লে, "হে ৰাজন্! এয়ানো কেনেকুৱা কথা? ৰঞ্জনে সততাৰে চিকিৎসাবৃত্তিৰ

যোগেদি অপৰিমিত ধন আৰ্জিও গুৰু উপাসকৰপৰা গৰিহণা পাইছিল, কিন্তু ভঞ্জনে পাইছিল প্ৰশংসা ! এয়ানো কি কথা ? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হওক।"

বেতালৰ প্ৰশ্ন শুনি ৰজা বিক্ৰমাদিত্য কিঞ্চিত চিন্তাগ্ৰস্ত হৈ পৰিল। বিক্ৰমাদিত্য ৰজাই আগৰ দৰে নিঃচিন্তভাবে একো উত্তৰ নিদিয়াকৈ একমনে ভাবি থাকিল ৰঞ্জন-ভঞ্জনৰ কথা আৰু সিহঁতৰ প্ৰবীণ গুৰু, উপাসকৰ কথা।

ইমান কাল ধৰি বেতালৰ সৰ্ববিধৰ প্ৰশ্নৰ উত্তৰ সহজেই দিব পাৰি ৰজা বিক্ৰমাদিত্যৰ মনত কদাপি এই দুশ্চিন্তা নহৈছিল যে—বেতালৰ প্ৰশ্নৰ উত্তৰ দিয়াত তেওঁ কেতিয়াবা কোনোবিধৰ আউললগা পৰিস্থিতিৰ সন্মুখীন হ'ব। কিন্তু বেতালৰ আজিৰ এই সামান্য প্ৰশ্নয়েই ৰজা বিক্ৰমাদিত্যৰ ওচৰত অসামান্য হৈ উঠিল। তথাপি তো কিবা-নহয়-কিবা উত্তৰ দিবই লাগিব। নহ'লে যে প্ৰকৃততেই তেওঁৰ মূৰ ফাটি চাৰিফালা হ'ব—সেই কথাত বিন্দুমাত্ৰ সন্দেহৰ অৱকাশ নাই। গতিকে—ৰজা বিক্ৰমাদিত্যই যথাযথভাবে বেতালৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সাজু হ'ল।

ৰজা বিক্ৰমাদিত্যই বেতালৰ প্ৰশ্নৰ উত্তৰত ক'লে, "কথা হ'ল — ৰঞ্জনে সততাৰে চিকিৎসাবৃত্তিত ধৰিছিল হয়, কিন্তু গুৰু উপাসকে নিৰ্দেশ দিয়া মতে মহাৰাজ প্ৰৱঙ্গৰ বিচিত্ৰ ব্যাধিৰ নিৰাময়ৰ বাবে সামান্যতম চিন্তা-চেষ্টাও ৰঞ্জনে কৰা নাছিল। সেইহে গুৰু উপাসকে সৎশিষ্য হোৱা সত্বেও ৰঞ্জনক পৰোক্ষ ভৎৰ্সনা কৰিছিল। —এতিয়া ভঞ্জনৰ কথা। ভঞ্জন আছিল অসৎ প্ৰকৃতিৰ। দুষ্ট। কিন্তু — তথাপি গুৰুৰ আদেশ মানি দেশৰ ৰজা প্ৰৱঙ্গদেৱৰ বিচিত্ৰ ব্যাধি নিৰাময়ৰ কথা চিন্তা কৰিছিল। ধনৰ মোহ নথকা গুৰু উপাসকে—ভঞ্জনৰ এই কাৰ্য্যত তৃপ্ত বোধ কৰিছিল। গুৰু উপাসকে উপলব্ধি কৰিছিলঃ ফুলৰ মাজতো কীট থকাৰ দৰে সততাৰ সৌগন্ধৰ মাজতো অসততা থাকে, আৰু অসতৰ মাজতো ক'ৰবাত কিঞ্চিত সততাৰ সৌগন্ধ থাকে।"

ৰজা বিক্ৰমাদিত্যই এই বুলি কোৱাৰ লগে লগেই পুনৰ মৃত দেহটো লৰিচৰি উঠিল, আৰু পুনৰ সেই গছজোপাৰ ডাললৈ সাউৎকৰে গৈ ওলমি থাকিল। [কল্পিত

ওহো ক্যালকাটা !

ৰচন : মীৰা নায়াৰ ✱ আঁকন : গোপকুমাৰ

ক্যালকাটা ! কলিকতা—পশ্চিমবংগৰ ৰাজধানী। ভাৰতৰ দ্বিতীয় বৃহত্তম নগৰ। এই শতিকাৰ প্ৰথমভাগত ভাৰতৰ ইংৰাজ শাসনৰ কালত আছিল ভাৰতৰ ৰাজধানী।

ইংৰাজ শাসকহঁতে য'ত পোন প্ৰথমে দুৰ্গ সাজিছিল, আজিৰ কলিকতাৰ *জেনাৰেল প'স্ট অফিছ* তাতেই অৱস্থিত। সেই দুৰ্গ বঙ্গৰ শেষ স্বাধীন নবাব ছিৰাজদ্দৌলা—১৭৫৬ চনত ধ্বংস কৰিছিল। ইয়াতে সেই *ব্লাক হোল*-ৰ ঘটনা ঘটিছিল বুলি কোৱা হয়, যি-ঘটনাৰ চাকনৈয়াত প্ৰায় ১২৫ জন ইংৰাজ সৈন্যক এটি সৰু গাঁতত ভৰাই মাৰি পেলোৱা হৈছিল, যদিও কিছুমান ঐতিহাসিকে এই ঘটনাক ছিৰাজদ্দৌলাৰ বিৰুদ্ধে ৰটনা বুলি অভিমত দিছে। জেনাৰেল পোস্ট অফিছৰ উত্তৰ-পূব ফালে এই ব্লাক হোলৰ ফলি পৰিলক্ষিত হয়।

ইংৰাজে ৰজা তৃতীয় উইলিয়ামৰ নামানুসাৰে কলিকতাৰ গা-তে লগা গোবিন্দপুৰ গাঁৱত প্ৰথমটোতকৈ অধিক ডাঙৰ তথা সমাৰোহময় দুৰ্গ সাজিছিল। এই দুৰ্গৰ নাম *ফ'ৰ্ট উইলিয়াম*। ভাৰতৰ দুৰ্গ সমূহৰ মাজত এই দুৰ্গৰ এক বিশেষ বিশেষত্ব আছে। বিশেষত্ব হ'ল এয়ে যে — এই দুৰ্গটিৰপৰা অদ্যাপি এটি গুলিও নিক্ষিপ্ত হোৱা নাই।

ফ'ৰ্ট উইলিয়াম দুৰ্গৰ লগতে আছে *ময়দান* নামৰ পৃথিৱীৰ সৰ্ববৃহৎ মুকলি-পথাৰ (পাৰ্ক)। ১৭৯২ চনত ক্ৰিকেট খেলাৰ বাবে সজোৱা ইডেন গাৰ্ডেনছও ইয়াতে অৱস্থিত।

ৰয়্যাল ক্যালকাটা গল্ফ ক্লাব, — আন্তঃদেশীয় প্ৰতিযোগিতাত সৰ্বাধিক বিজয়ী ৰয়্যাল ক্যালকাটা টাৰ্ফ ক্লাব (ভাৰতৰ আটাইতকৈ দীৰ্ঘ আৰু বৃহৎ ঘোঁৰা-দৌৰৰ পথাৰ) আদি ময়দানত অৱস্থিত।

ইডেন গাৰ্ডেনছ

কলিকতালৈ

চৌৰিঙ্গী ষ্ট্ৰিট

একালৰ চৌৰিঙ্গী ষ্ট্ৰিট— ইকালত হ'লগৈ জৱহৰলাল নেহৰু ৰ'ড। ভাৰতৰ নগৰসমূহৰ মাজত এই নগৰতে এই ৰাজআলিতে সৰ্বপ্ৰথমে গেছৰ চাকি জ্বলোৱা হৈছিল। এয়া আছিল ১৮৫৯ চনৰ কথা। আকৌ, চল্লিছ বছৰৰ পাছত কলিকতা নগৰখনত পোন প্ৰথমে বিজুলী চাকি জ্বলোৱা হৈছিল।

শ্বহীদ মিনাৰ

ভিক্ট'ৰিয়া মেম'ৰিয়্যালৰ নিৰ্মাণকাৰ্য্য ১৯০৬ চনত আৰম্ভ হৈ ১৯২১ চনত — ১৫ বছৰত — সমাপ্ত হৈছিল। এই অপূৰ্ব সৌধক তাজমহলৰ সৈতে তুলনা কৰা হয়। ১৯০১ চনত মৃত্যু হোৱা ৰাণী ভিক্ট'ৰিয়াৰ স্মৃতিত এই মহান সৌধ সজোৱা হৈছিল।

ৰাজস্থানৰ শ্বেত ম্যাক্ৰনান মাৰ্বল শিলেৰে এই সৌধ সজোৱা হৈছিল।

ভিক্টোৰিয়া মেম'ৰিয়্যাল

কলিকতাত আছে ভাৰতৰ একমাত্ৰ আৰু ভূগৰ্ভস্থ *মেট্ৰো ৰেল*। এই ভূগৰ্ভস্থ ৰেলআলি দমদমৰপৰা টালিগঞ্জলৈকে বিয়পা।

ভূগৰ্ভস্থ মেট্ৰো ৰেল

কলিকতাৰ কালী মন্দিৰ সুবিখ্যাত। এই মন্দিৰৰ নামেৰে এই অঞ্চলৰ নাম হৈছে—*কালীঘাট*। এই কালীঘাটৰ ওচৰত আছে মাদাৰ টেৰিজা-প্ৰতিষ্ঠিত 'নিৰ্মল হৃদয়' নামৰ অনাথ আশ্ৰম। মিশ্যনাৰিজ অব্ চ্যাৰিটিৰ বগা বৰণৰ কপাহী শাড়ী পিন্ধা মহিলা কৰ্মীসকলে বহু সংখ্যক অনাথ আশ্ৰম, দাতব্য চিকিৎসালয় আদি জনহিতকৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিছে আৰু সেই সমূহ সুষ্ঠুভাৱে চলাইছে।

এভুমুকি

৪৬ মিটাৰলৈওখ শ্বহীদ মিনাৰ আগতে অক্টাৰলনি মনিউম্যান্ট ৰূপে জনাজাত আছিল। নেপালী সৈন্যদলৰ আক্ৰমণৰ বিৰুদ্ধে ১৮২৮ চনত স্যৰ ডেভিড অক্টাৰলনিয়ে ইস্ট ইণ্ডিয়া কম্প্যানিৰ হৈ সফলতাৰে যুদ্ধ কৰি বিজয়ী হৈছিল। এই মনিউম্যান্ট তাৰেই স্মৃতিচিন। এই মনিউম্যান্ট বগাবলৈ ২২৩ টা ঢাপ আছে।



নাখোদা মছজিদ



ছেকেন্দ্ৰাত থকা সম্ৰাট আকবৰৰ সমাধিৰ অনুকৃতিৰে নাখোদা মছজিদ ১৯২৬ চনত সজোৱা হৈছিল। এই মছজিদ হ'ল কলিকতা মহানগৰত থকা বৃহত্তম মছজিদ। এই বিৰাট আকাৰৰ মছজিদত ১০০০০ মানুহে একেলগে নামাজ পঢ়িব পাৰে।

মাদাৰ টেৰিজা

অতীতত এই অট্টালিকাত ইস্ট ইণ্ডিয়া কম্প্যানিৰ কেৰাণী-মহৰিহঁতে (ৰাইটাৰ্স) কাম কৰিছিল। ১৮৮০ চনত এই অট্টালিকা নতুনকৈ সজোৱা হৈছিল। বৰ্তমানে এই অট্টালিকা ৰাজ্যিক চৰকাৰৰ সচিবালয়।

ৰাইটাৰ্স বিল্ডিংছ

জোড়াসাঁকোস্থিত ঠাকুৰ পৰিয়ালৰ ঘৰ

ৰবীন্দ্ৰনাথ ঠাকুৰ উত্তৰ-কলিকতাত থকা তেওঁলোকৰ জোড়াসাঁকোস্থিত ভৱনত জন্মগ্ৰহণ কৰিছিল আৰু সেই ভৱনতে তেওঁ লোকান্তৰিতও হৈছিল। ১৯১৩ চনত ৰবীন্দ্ৰনাথক তেওঁৰ ৰচিত *গীতাঞ্জলি* নামৰ কাব্যপুস্তকৰ বাবে ন'বেল বঁটাৰে সম্মানিত কৰা হৈছিল। এছিয়া মহাদেশত ৰবীন্দ্ৰনাথেই আছিল প্ৰথম ন'বেল বঁটা প্ৰাপক।

এই জোড়াসাঁকো ভৱনত এতিয়া ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয় অৱস্থিত। ৰবীন্দ্ৰনাথ-প্ৰতিষ্ঠিত বিশ্বভাৰতী বিশ্ববিদ্যালয় (শান্তিনিকেতন) পৃথক বিশ্ববিদ্যালয়।

কলিকতাৰ আলিপুৰ অঞ্চলত আছে জাতীয় গ্ৰন্থাগাৰ (ন্যাশ্বান্যাল লাইব্ৰেৰি)। পুথি ভঁৰালৰ এই অট্টালিকা আছিল বঙ্গৰ গাভাৰ্নাৰৰ আবাস। জাতীয় গ্ৰন্থাগাৰত প্ৰায় ২০ লাখ ছপা কিতাপ আৰু হস্তলিখিত পাণ্ডুলিপি আছে। এই বিপুল পৰিমাণ কিতাপ আৰু পাণ্ডুলিপি সংৰক্ষিত কৰি ৰাখোঁতে ৫১ কিল'মিটাৰ দীৰ্ঘ খলপা বা থাক আছে। এই গ্ৰন্থাগাৰত বিপুল সংখ্যক ব্যক্তিগত সংগ্ৰহৰ পুস্তকো আছে। এই পুস্তক সংগ্ৰহৰ গৰাকী হ'ল স্যৰ আশুতোষ মুখোপাধ্যায়।

কলিকতাৰ আন এক বিখ্যাত অট্টালিকা হ'ল—*মাৰ্বেল প্যালেছ*। ৰাজা ৰাজেন্দ্ৰ মল্লিক নামৰ খ্যাতিমান বাঙালী ব্যৱসায়ী এগৰাকীয়ে ১৮৩৫ চনত এই নয়নাভিৰাম অট্টালিকা সজাইছিল। এই অভিনৱ অট্টালিকাৰ একাংশ দৰ্শকসকলৰ বাবে উন্মুক্ত। ইয়াত ৰজাই সংগ্ৰহ কৰা কলাশিল্পৰ অসংখ্য বস্তু-সামগ্ৰী আছে।

ৰজাৰ উত্তৰাধিকাৰী সকল আজিও এই অট্টালিকাত আছে, আৰু তেওঁলোকে অতীত প্ৰথামতে আজিও প্ৰতিদিন দৰিদ্ৰ লোকসকললৈ অন্নদান কৰে।

ন্যাশ্বান্যাল লাইব্ৰেৰি



© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

হনুমন্ত ভাই, নেগুৰৰ জুই হাতে নুনুমালে নুমাওঁতা নাই

গ্রিকদেশত এহাল বুঢ়া-বুঢ়ীয়ে বৰ নাটনিৰ মাজেদি জীৱন যাপিবলগীয়া হৈছিল, কিন্তু বুঢ়া-বুঢ়ীহাল মন-প্রাণত তথাপি সুখী আছিল। এদিন বুঢ়াই বুঢ়ীক গাইজনীক হাটলৈ নি বেচি আহিবলৈ ক'লে।

বুঢ়াই খোজ কাঢ়োঁতে ভৰিত মোচোকাখাই দুখ পাইছিল, গাতিকে বুঢ়ীয়েই গাইজনীক লৈ হাটলৈ গৈ থাকিল।

বুঢ়ীৰ পিছে পিছে তিনিটা ফন্দিয়ক গৈ আছিল, সিহঁতে বুঢ়ীৰ গাইজনীক যিমান পাৰে সস্তাৰে কিনিবলৈ ফন্দি কৰিলে।

প্রথমটো ফন্দিয়কে বুঢ়ীক ক'লেগৈ, "এই ছাগলীজনীক বেচিবলৈ হাটলৈ লৈ গৈছানে কি ? কিমান দামত বেচিবা ?"

"তুমি কণানে অন্ধ ? গাই এজনীক ছাগলী বুলি কৈছা যে —?" বুঢ়ীয়ে বেয়া পাই সেই ফন্দিয়কক ডাঠি ক'লে।

ফন্দিয়কটোৱে গাইজনীলৈ আৰু বুঢ়ীলৈকো বাৰে বাৰে চোৱাৰ অন্তত ক'লে, "আইতা, তুমি সপোন দেখিছানে কি ? এইজনী ছাগলীয়েই। ত্রিছ টকাৰে দিবানে ?"

বুঢ়ীয়ে ফন্দিয়কৰ কথাৰ কোনো উত্তৰ নিদিয়াকৈ একমনে আগুৱাই গৈ থাকিল। কিছুদূৰলৈ যোৱাৰ অন্তত দ্বিতীয় ফন্দিয়ক বুঢ়ী মানুহজনীৰ কাষ চাপিল আৰু কৈ থাকিল, "আইতা, ক'লৈনো গৈছা ?"

"হাটলৈ, এইজনীক বেচিবলৈ পঠাইছে তোমাৰ ককাৰে।" বুঢ়ীয়ে ক'লে।

"ঠিক আছে, ময়েই ছাগলীজনী কিনি ল'ম। পঁচিছ টকা দিম, মোক দিয়া।" দ্বিতীয় ফন্দিয়কে ক'লে।

"তুমি বাৰু — বলিয়ানে কি ? ইমান হৃষ্ট-পুষ্ট গাই এজনীক কিয়নো ছাগলী বুলি কোৱাহে ?" বুঢ়ীয়ে বমকি উঠি ক'লে।

'পঁচিছ বছৰৰ আগৰ চান্দমামাত প্রকাশিত কাহিনী'



দ্বিতীয় ফন্দিয়কে বুঢ়ীৰ কথাত বৰ আচৰিত হোৱা যেন দেখুৱাই ক'লে, "বুঢ়ী হ'লা, চকুৰেও কিজানি ঠিকমতে নমনা হ'লা। সেইহে—ছাগলীজনীকে গাই বুলি কৈছা।"

"মোৰ যি আছে — আছে। তুমি তোমাৰ কামলৈ যোৱা।" এই বুলি কৈ, বুঢ়ী পুনৰ আগুৱাই গ'ল।

কিন্তু বুঢ়ীৰ মনত সন্দেহই মূৰ দঙা হ'লঃ এইজনী — সঁচাসঁচিকৈ ছাগলীয়েইনে ? কিয়নো প্ৰতিজনেই ছাগলী বুলি কৈছে ?

এইবোৰ ভাবি ভাবি গৈ থাকোঁতে—কিছু সময়ৰ অন্তত তৃতীয়জন ফন্দিয়ক বুঢ়ীৰ কাষ চাপিল।

"শাহুআই, ছাগলীজনী — বেচিবানে কি ? বেচা যদি—বিছ টকা দিব পাৰোঁ।"

তেনেহ'লে এইজনী নিশ্চয় ছাগলীয়েই, গাই নহয়। কিন্তু — মই দেখোন আমাৰ ইমানদিনীয়া গাইজনীক লগত লৈ হাটলৈ বুলি ওলাইছিলোঁ —। বুঢ়ীয়ে ভাবি থাকিলঃ গাই এজনী কেনেকৈনো ছাগলী হৈ গ'ল ?

বুঢ়ীয়ে ফন্দিয়কক ক'লে, "—কিন্তু ত্ৰিছ টকাৰ কমে নিদোঁ মই। ত্ৰিছ টকাৰে এজনে কিনিব খুজিছিল, তেতিয়া দিয়ানাছিলোঁ।"

ফন্দিয়কে আৰু পলম নকৰিলে। তৎক্ষণাৎ টকা ত্ৰিছটা উলিয়াই দিলে, আৰু নোদোকা গাইজনীক লৈ খৰকৈ খোজ বঢ়ালে।

বুঢ়াই বুঢ়ীৰপৰা সকলো বা-বিবৰণ শুনিলে। শুনি — ফন্দিয়কহঁতৰ ফন্দী বুজি পালে। তেওঁ বুঢ়ীক ক'লে, "যি হ'ল — হ'ল। আগলৈ কি হয়, চাই থাকা, কিন্তু কোনো মাত নামাতিবা।"

বুঢ়া ওলাই পৰিল, আৰু এঠাইৰপৰা এযোৰ শহাপহু কিনি আনিলে। শহাযোৰ দেখাত হুবহু এক। বুঢ়াই শহাযোৰক বেলেগে বেলেগে পাচিত ভৰাই থ'লে আৰু বুঢ়ীক ক'লে, "বোলোঁ—শুনিছানে ? আজি আমাৰ ঘৰলৈ যে আলহী আহিব জানিছানে নাই ? আজি গৰম গৰম তন্দুৰী ৰুটি, হাঁহৰ মঙহ আৰু খীৰ ৰন্ধা হ'ব। মই যদি কাৰোবাৰ আগত কি ৰন্ধা হৈছে বুলি সোধোঁহি, ক'বা যে— শহাটোৱে যেনেকৈ ক'লেহি তেনেকৈ ৰান্ধিলোঁ। বছ, আৰু একো নক'বা।"

ওলাই যোৱাৰ আগতে বুঢ়াই বুঢ়ীক পুনৰ কথাখিনি সোঁৱৰাই দিলে, ভালৰো ভালকৈ পুনৰ কৈ শিকাই-বুজাই দিলে।

বুঢ়াই গৈ গৈ চুবুৰীয়া গাঁও পালেগৈ। তাত তেতিয়া গাঁৱৰ চেৰাপখানাত বহি সেই ফন্দিয়ক তিনিও চেৰাপ ছিপি আছিল। ইহঁতেই যে বুঢ়ীক ঠগিলে—সেই কথাত বুঢ়াৰ মনত কোনো সন্দেহ নাছিল। কিন্তু বুঢ়াই সিহঁতক—সেই জনাজাত দগাবাজকেইটাক—দেখিও নেদেখা হৈ থাকিল।

তেতিয়া সিহঁত চেৰাপৰ নিচাত মছগুল। এটা ফন্দিয়কে বুঢ়াক জোকাবলৈ ক'লেহি, "বোলোঁ হেই বুঢ়া, তোমাৰ বুঢ়ীয়ে গাইনে ছাগলী—তাকো নজনা আজলি।"

"হ'পাৰে, পিছে তেওঁৰ ৰান্ধনৰ কোনো তুলনা নাই।" বুঢ়াই ক'লে।

"হয়নে ?" এটা ফন্দিয়কে বিদ্ৰূপৰে বুঢ়াক সুধিলে।

"হয় — হয়। বুঢ়ীৰ ৰান্ধন খালেও পস্তাব লাগিব, নাখালেও পস্তাব লাগিব।" বুঢ়াই হাঁহি হাঁহি ৰহইচ কৰি ফন্দিয়কহঁতক ক'লে।

"আজিনো কি খালা, বুঢ়া ?" ফন্দিয়ক এটাই সুধিলে।

"আজি —" বুঢ়া ৰ'ল, আৰু পাছ মুহূৰ্তত কৈ উঠিল, "আজি — সুধিলাই যেতিয়া — তন্দুৰী ৰুটি, গৰম গৰম হাঁহৰ মঙহ, আৰু খীৰ খোৱাৰ ইচ্ছা হৈছে।" এই বুলি কৈয়েই পাচিৰপৰা শহাটোক উলিয়াই আনি শহাটোৰ কাণে কাণে ক'লে, "ঐ, তই বেগাই যা, আইক ক'গৈ — হাঁহৰ মঙহ, তন্দুৰী ৰুটি আৰু খীৰ বজাব লাগে।" বুঢ়াই শহাটোক এৰি দিয়া মাত্ৰেই শহাটো বিজুলীৰ দৰে জাঁপ মাৰি গুচি গ'ল।

"আচ্—চৰিত কাণ্ড !"

ফন্দিয়কহঁতে কৈ উঠিল, "শহাপহু এটাই—কি ৰান্ধিব কি বাঢ়িব — কৈ দিবগৈ ? হয়নে ? সঁচানে ? হ' পাৰেনেহে ?"



"কিয় নহয় ?" বুঢ়াই ক'লে, "সৰুৰেপৰাই পালিছোঁ-পুহিছোঁ, মাত-বোল শিকাইছোঁ, নোৱাৰিব কিয় ? এই কথাত আচৰিত হ'বলগীয়া কি আছে ?— তথাপি যদি মনত খু-দুৱায়, মোৰ লগত আমাৰ ঘৰলৈ ব'লা, স্বকৰ্ণে চাই আহিবা স্বচক্ষে খাই আহিবা।"

বুঢ়াৰ লগ লাগি ফন্দিয়ক তিনিও বুঢ়াৰ ঘৰলৈ গ'ল। বুঢ়াই ৰান্ধনী ঘৰত থকা বুঢ়ীক বাহিৰৰে পৰাই সুধিলে, "আজি কি ৰান্ধিলা ?"

"শহাই যি ক'লেহি, তাকে ৰান্ধিলোঁ। তন্দুৰী ৰুটি, হাঁহৰ মঙহ আৰু খীৰ।" বুঢ়ীয়ে সহজ মাতেৰেই ক'লে।

ফন্দিয়কহঁতে নিজৰ মাজত ফুচফাচ ফুচুৰফাচুৰ কৰাৰ পাছত বুঢ়াক ক'লে, "এই শহাটো-বেচিবা ?"

"বেচিম ? — শহা ? কেতিয়াও নেবেচোঁ।" বুঢ়াই ক'লে।

তেতিয়া ফন্দিয়কহঁতে আকৌ নিজৰ মাজত ফুচফাচকৈ কিবাকিবি আলচিলে। সিহঁতে বুঢ়াক এৰি বুঢ়ীক ধৰিলে শহাটো বেচি দিয়াৰ কথাত। কিন্তু — তথাপি একো নহ'ল।

সিহঁতে বুঢ়াক ঢেৰ বুজাই-বৰাই এহেজাৰ টকাৰে শহাপহুটোক কিনি লৈ গ'ল। সেইটো আছিল — বুঢ়াই পাচিত ভৰাই থৈ যোৱা দ্বিতীয়টো শহাপহু।

ফন্দিয়কহঁতে শহাটোৰ কাণে কাণে ইটো-সিটো ৰন্ধাৰ কথা কৈ ৰান্ধনিঘৰৰ পিনে এৰি দিয়া মাত্ৰেই শহাপহুটো একেজাঁপে তাৰপৰা নোহোৱা হৈ গ'ল।

পাছ-মুহূৰ্ততে ফন্দিয়কহঁতে ফান্দত পৰাৰ কথা বঢ়িয়াকৈ গমিলে। বুঢ়াই যে সিহঁতক ভাঁৰিলে—সেই কথা এতিয়া দেখ দেখ।

সিহঁতে বুঢ়াক জেৰাৰে জেৰবাৰ কৰাত বুঢ়াই ক'লে, "শহাটোৰ গাত কিজানি— বেয়া-বা লাগি বলিয়া হ'ল।"

"শহাৰ গাত বেয়া -বা ? —নে তোমাৰ মূৰত—ঐ বুঢ়া ?" ফন্দিয়কহঁতে ক'লে।

"গাই যদি ছাগলী হৈ যায়, শহা কিয় বেয়া-বা লাগি বলিয়া নহ'বহে ?" বুঢ়ায়ো চকু পকাই ধৰিলে যেতিয়া, তেতিয়া ফন্দিয়কহঁতে বাধ্যত পৰি সিহঁতৰ নেগুৰৰ জুই হাতেৰে নুমালে। সিহঁতৰ মুখৰ মাত হৰিল, আৰু সিহঁত পলাই সাৰিল।

বৃটিছ-বিৰোধী যুঁজাৰু

৩

বীৰ পাণ্ড্য কাট্টাবোম্মান

বচন : মীৰা উগ্ৰা ✻ চিত্ৰণ : গৌতম সেন

পালায়ক্কাৰসকল আছিল ১৮ শকিৰ তামিলনাডুৰ সামন্ত-ৰজা। আৰ্কটৰ নৱাবসকলৰ হৈ এওঁলোকে খাজনা আদায় কৰিছিল। পালায়ক্কাৰসকলৰ নিজা দুৰ্গ আৰু সৈন্যবাহিনীও আছিল। ১৭৯২ চনত আৰ্কটৰ নৱাবে পালায়ক্কৰসকলৰপৰাও কৰ-কাটল আদায় কৰাৰ অধিকাৰ ইস্ট ইণ্ডিয়া কম্প্যানিক দিছিল।



যিকি নহওক, নেল্লাই জিলাৰ কৰ-আদায়কাৰী জ্যাকছন ছাহাবৰ সৈতে সাক্ষাৎ কৰিবলৈ কাট্টাবোম্মানক মাত্তি কৰোৱা হ'ল।
মিস্টাৰ জ্যাকছন ভ্ৰমণলৈ ওলাল। আপুনি কৰ্টাল্লামলৈ গ'লে তেওঁক পাব।
মোৰ যি ক'বলগা আছে মোৰ তৰোৱালেৰে ক'ম।
অবশেষত ৰমানাথপুৰমত মি জ্যাকছনক পোৱা গ'ল। জ্যাকছনে সুধিলে :
অ'—আপুনি। কওক, কি ক'বলগা আছে।
কাট্টাবোম্মানৰ প্ৰতি জ্যাকছনে ৰজাৰ এগৰাকীৰ প্ৰাপ্য শিষ্টাচাৰ প্ৰদৰ্শন নকৰিলে, আনকি তেওঁক বহিবলৈকো কোৱা নহ'ল।
কাট্টাবোম্মানে তাৰপৰাগুচি যাবলৈ খোজ লোৱাৰ লগে লগে জ্যাকছনে কৈ উঠিল :
তাক বন্দী কৰা!
এজাক শিয়ালে কোনোবা তামিল ব্যাঘ্ৰক বন্দী কৰিব পাৰেনে?
তয়াময়া যুদ্ধ কৰি কাট্টাবোম্মান আৰু তেওঁৰ অনুচৰসকলো নিৰাপদে দুৰ্গ পালেগৈ।

১৭৯৯ চনৰ ৫ ছেপটিমাবাৰৰ দিনা মে'জৰ ব্যামাৰম্যানে কাট্টবোম্মানৰ দুৰ্গ অৱৰোধ কৰিলে...
এই বোকামাটিৰ দেৱালক বুলিছ—দুৰ্গ !
পাছ মুহূৰ্তত....
আ.... ! আ.... !
সিহঁতৰ যাঠিবোৰ অতি জোঙা জোঙা আৰু তীব্ৰ তীক্ষ্ণ...
সৌ যুৱা কোন ?
কাট্টাবোম্মানৰ ভায়েক... তেওঁক উন্মাই দুৰাই বুলি মতা হয়... তেওঁ কলা আৰু বোবা....
দুৰ্গৰ ভিতৰত —
সিহঁতে দুৰ্গ ভাঙিলে, কিন্তু আমি সিহঁতক প্ৰতি-আক্ৰমণ কৰিছোঁ।
সিহঁত পুনৰ আহিব, লক্ষ্য ৰাখিবা...
পুনৰ ইংৰাজ-বাহিনী ঢপলিয়াই আহিল, আৰু এইবাৰ সিহঁত দুৰ্গৰ ভিতৰলৈ সোমাব পৰা হ'ল...
বীৰ পাণ্ড্য ক'ত আছে ?
আমি বাঘৰ ডেৰা অধিকাৰ কৰিলোঁ, কিন্তু কিন্তু বাঘটো পলাল।
কাট্টাবোম্মান সময়মতেই পলাই সাৰিছিল, কিন্তু —

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

৪২

অৰ্জুনে কৌৰৱলৈ বাণবৃষ্টি কৰি থাকিল। বিৰাট আৰাৱৰে শঙ্খধ্বনি কৰি থাকিল। শঙ্খধ্বনি কৰি কৰি অৰ্জুন যেতিয়া দুৰ্যোধনৰ সন্মুখীন হ'বলৈ আগুৱাই গৈ থাকিল, তেতিয়া দুৰ্য্যোধনৰ বিপদ গমি অন্য অন্য কৌৰৱ বীৰ অৰ্জুনলৈ আগ বাঢ়িল। এই কৌৰৱ বীৰসকলৰ মাজত কৰ্ণক দেখা পাই অৰ্জুনে তেওঁৰ ৰথৰ সাৰথি উত্তৰক ৰথখন কৰ্ণৰ পিনে চলাই লৈ যাবলৈ ক'লে। কৰ্ণৰ সৈতে যিমান যোদ্ধা আছিল, অৰ্জুনে সকলো যোদ্ধাক বেয়াকৈ হৰুৱালে, কিছুমানক মাৰিও পেলালে। তাৰ পাছত স্বয়ং কৰ্ণ আগ বাঢ়ি আহিল। বহু সময় ধৰি প্ৰাণৰ মমতা এৰি যুদ্ধ কৰাৰ অন্তত কৰ্ণই হোঁহকা দিলে।

কৌৰৱসকলে কেৱল অৰ্জুনৰ বীৰতাৰেই শলাগ নল'লে, যুদ্ধত অনভিজ্ঞ পিয়াহদঁতা উত্তৰৰ ৰথ-পৰিচালনাৰও শলাগ ল'লে।

যি কি নহওক, তাৰ পাছত কৃপাচাৰ্য্যই অৰ্জুনৰ বিৰুদ্ধে ৰণ দিলে। কিন্তু শেহান্তৰত কৃপাচাৰ্য্যয়ো পৰাজয় মানি লৈ হুঁকি গ'ল।

আৰু তাৰ পাছত যেতিয়া দ্ৰোণাচাৰ্য্য আগুৱাই আহিল, অৰ্জুনে দ্ৰোণাচাৰ্য্যক প্ৰণাম কৰাৰ অন্তত ক'লে, "গুৰুবৰ, আমি বনবাসকালত অপাৰ কষ্ট কৰিলোঁ, আমাৰ প্ৰতি ক্ৰুদ্ধ নহওক। আপুনি যদি পোন প্ৰথমে মোলৈ বাণ নিক্ষেপ নকৰে, মই আপোনাৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ নিশ্চয় নকৰোঁ।"

অৰ্জুনৰ ইচ্ছানুসাৰে দ্ৰোণাচাৰ্য্যই অৰ্জুনলৈ টোঁৰাইবাণ নিক্ষেপিলে। আৰু তাৰ পাছত — দুয়োৰে মাজত ভয়ংকৰ ৰণ লাগি পৰিল। অৰ্জুনে দ্ৰোণাচাৰ্য্যক বাণেৰে থকা-সৰকা কৰাত কৌৰৱ-শিবিৰত হাহাকাৰ



উঠিল।

পিতৃৰ পৰাজয়ত ক্ষুব্ধ দ্ৰোণ-পুত্ৰ অশ্বত্থামাই অৰ্জুনলৈ চোকা চোকা অস্ত্ৰ এৰিলে । উভয়ৰ মাজত বহুতোপৰলৈ যুদ্ধ-চলিল। কিন্তু শেহান্তৰত অৰ্জুনেই বিজয়ী হ'ল।

আৰু তাৰ পাছত আগবাঢ়ি আহিল— ভীষ্ম। দীৰ্ঘক্ষণলৈ ভীষ্ম আৰু অৰ্জুনৰ মাজত যুদ্ধ চলি থাকিল। তাৰ পাছত — এসময়ত ভীষ্ম অচেতন হৈ ৰথৰ ওপৰতে বাগৰি পৰিল। তেওঁৰ ৰথৰ সাৰথিয়ে ৰথখন পিছুৱাই লৈ গ'ল।

অতঃপৰ দুৰ্য্যোধন।

দুয়োৰো মাজত তীব্ৰ যুদ্ধ চলি থাকিল। এছেগত অৰ্জুনে বাণ এপাটেৰে দুৰ্যোধনৰ বক্ষ বিদ্ধ কৰিলে আৰু এই আঘাত সহিব নোৱাৰি দুৰ্যোধন হুঁহকি গ'ল। ৰথৰে সৈতে হুঁহকি যোৱা দুৰ্য্যোধনলৈ অৰ্জুনে বিদ্ৰূপ কৰি থাকিল।

অৰ্জুনৰ এই বিদ্ৰূপ সহিব নোৱাৰি দুৰ্য্যোধন পুনৰ অৰ্জুনৰ সন্মুখীন হ'ল। এইবাৰ দুৰ্য্যোধনৰ সৈতে আন কেইগৰাকীমান কৌৰৱ বীৰো আহিল। কিন্তু অৰ্জুনে সন্মোহক-বাণ নিক্ষেপ কৰাত সকলোটিয়েই একেলগে অচেতন হৈ পৰিল।

তেতিয়া অৰ্জুনে উত্তৰক ক'লে, "উত্তৰ, এতিয়া আৰু আমাৰ ইয়াত কিজানি কোনো প্ৰয়োজন নাই। গতিকে —"

কিন্তু তিমানতে দুৰ্য্যোধনে চেতনা ঘূৰাই পাইছিল। অৰ্জুনক নিঃচিন্ত মনেৰে ৰথ ঘূৰাই লৈ যোৱা দেখি দুৰ্য্যোধনে নিজপক্ষীয় যোদ্ধাসৱক ক'লে, "ইমান নিঃচিন্তভাৱে অৰ্জুনক কিয় যাবলৈ দিছা। সি ইয়াৰপৰা জীয়ন্তে ফিৰি যাব নালাগে।"

ভীষ্মই দুৰ্য্যোধনক ক'লে, "তোমাৰ বুদ্ধিয়ে এতিয়া ঘাঁহ খোৱা হৈছেনে কি ? যিস্থলত একে একে সকলো কৌৰৱ বীৰেই অৰ্জুনৰ হাতত নাকনি-কাননি খোৱা হ'ল, যিস্থলত—অৰ্জুনে মন কৰিলে আমাৰ সকলোকে যমৰ আলহী কৰিব পাৰিলেহেঁতেন—সিস্থলত—জানি-বুজিও তুমি তোমাৰ বুদ্ধিভ্ৰংশতাৰ চিনাকি দাঙি ধৰিছা। এতিয়াই পৰাজয়ক স্বীকাৰ কৰি

লোৱা, আৰু গাভীকুলক এৰি দিয়া।”

ভীষ্মৰ কথা মতে কৌৰৱে আপোন পৰাজয় স্বীকাৰ কৰি ল’লে আৰু সেই স্থান পৰিহৰি গাভীকুল এৰি যাবলৈ নিশ্চয় কৰিলে।

কৌৰৱৰ এই কাৰ্য্যত অৰ্জুন পৰিতুষ্ট হ’ল। অৰ্জুনে ভীষ্ম, দ্ৰোণ, কৃপাচাৰ্য্য, অশ্বত্থমা আৰু অন্যান্য কৌৰৱ বীৰ প্ৰমুখলৈকো নমস্কাৰ-বাণ নিক্ষেপ কৰিলে আৰু কৌৰৱেও অৰ্জুনলৈ কৃতজ্ঞতা জ্ঞাপিলে। কিন্তু অৰ্জুনে এপাট বিশেষ বাণ এৰি দুৰ্য্যোধনৰ মস্তকোপৰি থকা মুকুট তললৈ ওফৰাই পেলালে।

অৰ্জুনৰ ৰথ পুনৰ সেই শমী বৃক্ষৰ ওচৰত ৰ’লগৈ। পাণ্ডৱসকলৰ অস্ত্ৰ-শস্ত্ৰ পুনৰ শমী-বৃক্ষোপৰি থৈ দিয়া হ’ল। এইবাৰ অৰ্জুন ৰথৰ সাৰথি হ’ল আৰু ক’লে, “উত্তৰ, তোমাৰ পিতাশ্ৰীয়ে যদি গম পায় যে ইমানদিনলৈকে পাণ্ডৱসকল তেওঁৰ আশ্ৰয়ত আছিল, তেওঁ দমি যাব। এতেকে—তুমি তেওঁক এই কথা ক’বা যে তুমিয়েই কৌৰৱৰ বিৰুদ্ধে যুদ্ধ কৰি কৌৰৱসকলক বেয়াকৈ পৰাজিত কৰিলা।”

“হে মহানুভৱ! এনেহেন বিস্ময়কৰ যুদ্ধ সাধাৰণ মনুষ্যৰ পক্ষে ন-সম্ভৱে। তথাপি, আপুনি অনুমতি নিদিয়ালৈকে মই এই গুপ্ত ৰহস্য প্ৰকাশ নকৰোঁ। ময়েই যুদ্ধত বিজয় লাভ কৰিলোঁ—লাগিলে—অনিয়ায় জানিও এই কথা ক’ম।” উত্তৰে ক’লে।

“কিছু সময়লৈ আমি ইয়াতে বিশ্ৰাম কৰিম। আমি আমাৰ অশ্ববিলাকক পানী খুৱাম, আৰু দুপৰীয়াৰ পাছত নগৰলৈ উভতিম। ইতিমধ্যে — তুমি পশু-পালকক তোমাৰ পিতাশ্ৰীৰ ওচৰলৈ পঠাই — তুমি যুদ্ধত বিজয়ী হৈছা বুলি কৈ পঠোৱা।”

বিৰাটৰজাই যেতিয়া পশু-পালকৰ যোগেদি এই সম্বাদ পালে যে—কৌৰৱে লৈ যোৱা গাভীকুল তেওঁৰ পুত্ৰ উত্তৰে কৌৰৱৰ কবলৰপৰা মুক্ত কৰি আনিলে—তেতিয়া তেওঁ প্ৰমাদ গণিলে। উত্তৰৰ লগত বৃহন্নলাও গ’ল বুলি শুনি তেওঁ আৰু দমি গ’ল।

বিৰাটৰজাৰ ভয়াতুৰতালৈ চাই ধৰ্মৰাজে মিচিকীয়াই হাঁহিলে আৰু বিৰাট ৰজাক ক’লে, “বৃহন্নলা যদি উত্তৰৰ সাৰথি হৈছে — কোনেও উত্তৰৰ অনিষ্ট কৰিব নোৱাৰিব।

আপোনাৰ পুত্ৰ অৱশ্যেই বিজয়ী হৈ উভতি আহিব, এই কথাত আপুনি নিঃচিন্ত হৈ থাকক । বৃহন্নলাক অতি সাধাৰণ বুলি নাভাবিব। কৌৰৱৰ সেনাৰ তো কথাই নাই, আনকি দেৱাসুৰৰ সেনাবাহিনীও বৃহন্নলাৰ আগত তেনেই নগণ্য।"

ইতিমধ্যেই বিৰাট ৰজাই পুত্ৰ উত্তৰৰ বিজয়লাভ তথা গাভীকুল মুক্ত কৰাৰ সম্বাদ পোৱা হ'ল। তেতিয়া ধৰ্মৰাজে ক'লে, "উত্তৰ বিজয়ী হৈ উভতি অহাৰ সম্বাদ — এক শুভ-সম্বাদ। বৃহন্নলা যেতিয়া ৰথৰ সাৰথি, তেতিয়া এই সম্বাদ বিস্ময়কৰ নহয়।"

পুত্ৰৰ বিজয়-সম্বাদ প্ৰাপ্ত হৈ বিৰাটৰজাৰ আনন্দৰ সীমা নাথাকিল । তেওঁ সমগ্ৰ ৰাজআলি সুসজ্জিত কৰিবলৈ আদেশ দিলে, মঙ্গলবাদ্য বাদনৰ আজ্ঞা দিলে। তাৰ পাছত তেওঁ সৈৰিন্ধ্ৰীক ক'লে, "যোৱা, পাশটি লৈ আহাঁ, কঙ্কৰ সৈতে জুৱা খেলিম।"

দুয়ো জুৱাখেলত মত্ত হ'ল। তেতিয়া বিৰাটে ধৰ্মৰাজক ক'লে, "দেখিলানে কঙ্কভট্ট, মোৰ পুত্ৰ উত্তৰে কিমান বীৰ-মহবীৰকো পৰাজিত কৰিলে! আৰুনো মোক কি লাগিছে ?"

ধৰ্মৰাজে ক'লে, "সাৰথি যেতিয়া বৃহন্নলা — বিজয়ী নহ'বইবা কিয় ?"

কিন্তু বিৰাটৰজাই কঙ্কভট্টৰূপী ধৰ্মৰাজৰ কথাত ভাল নাপালে। তেওঁ ধৰ্মৰাজক কঠোৰ কণ্ঠেৰে ক'লে, "অধম ব্ৰাহ্মণ, সেই নপুংসকটোৰ সৈতে মোৰ পুত্ৰ উত্তৰৰ তুলনা ! তোমাৰ ইমানেই সাহস হ'লনে ? কি ক'ব লাগে আৰু কি ক'ব নালাগে—তুমি তাকো নাজানা দেখিছোঁ। এইবাৰলৈ ক্ষমা কৰিলোঁ। যদি পুনৰ কেতিয়াবা এনেহেন কথা কৈছা, তোমাক যমৰ আলহী কৰি পঠাম।"

ধৰ্মৰাজে শান্ত কণ্ঠেৰে ক'লে, "কৌৰৱপক্ষত — ভীষ্ম, দ্ৰোণ, কৃপাচাৰ্য্য, অশ্বথামা প্ৰমুখ মহাবীৰগণ বিদ্যমান। এই মহাবীৰসকলক আনকি দেৱৰাজ ইন্দ্ৰয়ো পৰাজিত কৰিব নোৱাৰে। কেৱল — বৃহন্নলাইহে এইসকল মহাবীৰক পৰাজিত কৰিব পাৰে। গতিকে — আপোনাৰ পুত্ৰ উত্তৰ বৃহন্নলাৰ সহাযোগেৰে বিজয়ী হোৱাত মই বিস্ময় প্ৰকাশ কৰা নাছিলোঁ।"

বিৰাটৰজাই অতিপাত ক্ৰুদ্ধ কণ্ঠেৰে ক'লে, "আকৌ সেই একেইষাৰ কথা ?"

এই বুলি কৈ, বিৰাটৰজাই ধৰ্মৰাজৰ মুখলৈ পাশটিকে দলিয়ালে। ধৰ্মৰাজৰ নাকৰপৰা তেজ ওলাল। সেই তেজ তললৈ পৰাৰ আগতেই দ্ৰৌপদী দৌৰি আহিল আৰু ধৰ্মৰাজৰ তেজ নিজৰ হাতত ল'লে। তাৰ পাছত—ধৰ্মৰাজৰ প্ৰকৃত উদ্দেশ্যৰ কথা জানি দ্ৰৌপদীয়ে এক সোণৰ পাত্ৰ লৈ আহিল আৰু সেই সোণৰ পাত্ৰ ধাৰাসাৰ তেজেৰে পৰিপূৰ্ণ হ'ল।



তেনেতে দ্বাৰপালে সুসম্বাদ কঢ়িয়াই লৈ আহিল যে ৰাজকোঁৱৰ উত্তৰ আৰু বৃহন্নলা কৌৰৱপক্ষীয় যুদ্ধক্ষেত্ৰৰপৰা বিজয়ী হৈ উভতি আহিল।

বিৰাটৰজাই দ্বাৰপালক ক'লে, "উভয়ক দেখাৰ বাবে মই আতুৰ হৈ আছোঁ। উভয়কে অতি শীঘ্ৰে আমাৰ অন্তেষপুৰলৈ লৈ আহাঁ।"

ধৰ্মৰাজে ৰহস্যপূৰ্বক দ্বাৰপালক ক'লে, "বৃহন্নলাক ইয়ালৈ নানিবা, মাত্ৰ—উত্তৰক লৈ আহাঁগৈ। বৃহন্নলাই এই ব্ৰত লৈছে যে—যুদ্ধ বিনে যদি ক'ৰবাত-কোনোবাই মোক আহত কৰে—সি সেইজনক বধিম। মোৰ এই অতিশয় অন্যায় ৰক্তপাতলৈ চাই উত্তেজিত বৃহন্নলাই হয়তো সপৰিয়ালে ৰজাক বধিব পাৰে।"

কেৱল উত্তৰেই বিৰাট ৰজাৰ কাষ চাপিল।

উত্তৰে তাৰ পিতাশ্ৰীক প্ৰণাম কৰিলে আৰু ধৰ্মৰাজৰ নাকৰপৰা ধাৰাসাৰে তেজ ওলোৱালৈ চাই অতিপাত ব্যথিত হ'ল। উত্তৰে তাৰ পিতাশ্ৰীক সুধিলে, "এই মহাশয়ক কোনে এনেকৈ আহত কৰিলে। এনেহেন জঘন্য কাৰ্য্য কাৰ দ্বাৰা অনুষ্ঠিত হ'ল — ?"

"ই হ'ল বলিয়া। ই তোমাক প্ৰশংসা নকৰি —ক'ৰ কোন সেই বৃহন্নলটোৰ প্ৰশংসা কৰাত ময়েই উত্তেজিত হৈ আহত কৰিলোঁ।" বিৰাটৰজাই উত্তৰৰ প্ৰশ্নৰ উত্তৰত উত্তৰক ক'লে।

"আপুনি — কিমান যে অন্যায় কৰি পেলালে! এওঁৰ ক্ৰোধে আপোনাক ভস্ম নৌ কৰোঁতেই আপুনি এওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা



কৰিলে—আপোনাৰ কুশল-মঙ্গল হ'ব।" উত্তৰে নিৰভয় অন্তৰেৰে তাৰ পিতাশ্ৰীক এই কথা ক'লে।

পুত্ৰৰ কথা মতে বিৰাটৰজাই ধৰ্মৰাজৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে। ধৰ্মৰাজে ক'লে "হে ৰাজন্! মোৰ ক্ৰোধ কেতিয়াবাই প্ৰশমিত হ'ল। মোৰ এই তেজ তোমাৰ দেশৰ মাটিত পতিত হোৱাহেঁতেন তোমাৰ দেশৰ সৰ্বথা অমঙ্গল হ'লহেঁতেন। তোমাৰ কুকাৰ্য্যৰ ফলত এই চিন্তায়েই মোক খুলি খুলি খাইছিল।"

আৰু — এই কথাখিনি কোৱাৰ লগে লগে ধৰ্মৰাজৰ নাসাৰন্ধ্ৰৰপৰা ৰক্তস্ৰোত বন্ধ হৈ গ'ল।

অলপ পাছত উত্তৰে বৃহন্নলাক অন্তেষপুৰলৈ লৈ আহিল। অন্তেষপুৰ পায়েই বৃহন্নলাই বিৰাট ৰজাক আৰু কঙ্কৰূপী ধৰ্মৰজাকো প্ৰণাম কৰিলে।

বিৰাট ৰজাই তেওঁৰ পুত্ৰ উত্তৰক কৈ থাকিল :

"পুত্ৰ মোৰ, তুমি প্ৰকৃততেই যোগ্য পুত্ৰ। তোমাৰ নিচিনা শূৰ-বীৰ জগতত বিৰল। কৰ্ণহেন মহাবীৰকো তুমি যে কিমতে হৰুৱালা—ভাবি অবাকেই মানিছোঁ। বিস্ময় মানিছোঁ — ভীষ্মৰ বিৰুদ্ধে বিজয়ী হোৱাত। দ্ৰোণ আৰু দ্ৰোণ-পুত্ৰ অশ্বত্থামা—মহাশূৰ। তেওঁলোকৰ বাণৰ আগত তিষ্ঠি থাকিলানো কিমতে ? কৃপাচাৰ্য্যৰ নাম শুনিলেও বীৰ-মহাবীৰসকলেও ভয়ৰ কোবত কঁপি উঠে। কিন্তু — তুমি এই সকলৰ ওপৰতো বিজয় লাভ কৰাটো—ঠিক যে কী—মই মোৰ অন্তৰত টৌৱাই উঠা প্ৰকৃত কথা ব্যক্ত কৰিব পৰা নাই। তোমাৰ বীৰতাৰ কথা ইতিহাসৰ পাতত স্বৰ্ণাক্ষৰেৰে লিখিত হৈ থাকিব সেই কথাত মই নিঃসন্দেহ।"

পিতৃৰ অপৰিসীম প্ৰশংসাৰ উত্তৰত উত্তৰে কোমল আৰু শুন-নুশুন মাতেৰে ক'লে, "মই সেই গাভীকুলক মুক্ত কৰা নাছিলোঁ, কৌৰৱসকলকো মই পৰাভৱ কৰা নাছিলোঁ। কোনোবা ঈশ্বৰে এইবোৰ কৰিলে। মই সেইজনা মহান ঈশ্বৰৰ ৰথৰ সাৰথিমাত্ৰ হৈ আছিলোঁ।"

[আগলৈ

চান্দমামাৰ জবৰ–খবৰ

'ইলেকট্ৰিক শ্বক'ৰ বিষয়ে ন-চিন্তন

আমি সকলোটিয়েই সদায় ইলেকট্ৰিক শ্বকৰ বিষয়ে সজাগ। যাতে ইলেকট্ৰিক শ্বক-ৰ মুখামুখি নহওঁ, তাৰ বাবে আমি সাৱধানতাৰে



এৰাই চলোঁ। কিয়নো—ইলেকট্ৰিকৰ শ্বক—কেতিয়াবা আনকি মৃত্যুৰো নিয়ামক। কিন্তু—কেৰলৰাজ্যৰ কুইলন চহৰৰ ৰাজমোহনৰ কথা বেলেগ। ৰাজমোহনৰ ক্ষেত্ৰত ইলেকট্ৰিক-শ্বক হ'ল এক অৰ্থহীন শব্দ। সি তাৰ তেৰ বছৰ বয়সত এবাৰ আত্মঘাতী হ'বলৈ ইলেকট্ৰিকৰ স্তম্ভলৈ (ট্ৰান্সমিটাৰ) বগাই উঠিল আৰু কোনো ধৰণৰ ইনস্যুলেশ্বন নথকা খোলা তাঁৰত থাপ মাৰি ধৰিলে। কিন্তু তথাপি সি যেনেকুৱা আছিল তেনেকুৱাই থাকিল। তাৰ দেহত কোনো যৎসামান্য খুন্দা-ঠেকা অৰ্থাৎ 'শ্বক' নালাগিল। ইলেকট্ৰিকৰ কোনো প্ৰভাৱেই তাৰ ওপৰত নপৰিল। অথচ সেই ট্ৰান্সফৰ্মাৰত আছিল ৩০,০০০ ভোল্টৰ ইলেকট্ৰিক প্ৰবাহ। ১৯৮৬ চনত 'ওয়াৰ্ল্ড ছাইয়েন্স অ্যাণ্ড টেকনিক্যাল ইনস্টিটিউট অৱ ইণ্ডিয়া' নামৰ বিজ্ঞান-সস্থাই ৰাজমোহনৰ দেহত বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰিও এই অভাৱিত ৰহস্যক উদ্ধাৰ কৰিব নোৱাৰিলে। এতিয়া তাৰ নাম হ'ল 'কাৰেণ্টমোহন'। ১৯৯২ চনত 'গিনেজ বুক অৱ ৰেকৰ্ডছ'ত 'কাৰেণ্ট মোহন'ৰ নাম সংকলিত হৈছে।

সুবৰ্ণহৃদয়

পঞ্জাবৰ নৰেন্দ্ৰ এতিয়া 'সুৱৰ্ণ-হৃদয়' হ'ল। দিল্লীৰ এখন হাৰ্ট-হাস্পতালত তাৰ হাৰ্টৰ চিকিৎসা চলি আছিল। তাৰ ধমনীত ৰক্ত-চলোচলৰ বাধা গুচাবলৈ ডাক্টৰসকলে তাৰ হাৰ্টত ২৪ ক্যাৰিটৰ সোণৰ পাতেৰে নিৰ্মিত 'বেৰ-মেশ্ব'ৰ উপযোগ কৰিলে। এই সুৱৰ্ণ-হৃদয়টিৰ ওজন ১ গ্ৰামতকৈয়ো কম। এই সুৱৰ্ণ-হৃদয়ৰ যোগেদিয়েই তাৰ ধমনীলৈ তেজ-চলাচল স্বাভাৱিক হৈ থাকিব। এনেবোৰ 'কৃত্ৰিম'হাৰ্ট সাধাৰণতঃ স্টেইনলিছ ষ্টিলৰহে হয়। পৃথিৱীত এয়ে প্ৰথম বাৰৰ বাবে সোণৰ পাতেৰে 'সুৱৰ্ণ-হৃদয়' বনোৱা হৈছে। নৰেন্দ্ৰৰ চিকিৎসকসকলৰ মতে: সুৱৰ্ণ-হৃদয়—লৌহ-হৃদয়তকৈ নিশ্চয় ভাল।

পক্ষী–সুৰলোক

©1997 UBC Feature World. All rights reswrved

ভৰতপুৰ হ'ল এক ঐতিহাসিক চহৰ। দিল্লীৰপৰা ১৮০ কিল'মিটাৰ দূৰত থকা এই চহৰখনত ১৮ শতিকাৰ এটি 'কিল্লা' অৰ্থাৎ দুৰ্গ আছে। এইখন চহৰৰ উপকণ্ঠত যিখন জলাহ তথা অৰণ্য আছে — তাৰ দৈৰ্ঘ্য ২১ কিল'মিটাৰ। এই অৰণ্য-জলাহ-সমন্বিত ভূমিত আছে *কেৱলাদেও ন্যাশ্বান্যাল পাৰ্ক*।

এই চৰাই-অভয়ৰণ্যখনৰ নাম এই ঠাইত থকা এক মন্দিৰৰ নামৰপৰা লোৱা হৈছে। এই জলাহ-অৰণ্য-সমন্বিত ভূমিত জোপা-জুপলি, সৰোবৰ-ঘূলি, খাল-জান, সাধাৰণ আৰু বিৰল বৃক্ষ আদিৰ সংখ্যা সুপ্ৰচুৰ। এই সুপ্ৰাচীন বৃক্ষসমূহত চৰাইবোৰে বাহ সাজিবৰ প্ৰচুৰ সমল পায় আৰু বাহ সাজে, আৰু তাৰ কাৰণে চৰাইবোৰে পৰম নিঃচিন্ততভাবে কণী দিয়ে, কণীৰপৰা পোৱালি জগায়। এই অভয়াৰণ্য চৰাইকুলৰ কাৰণে ইমানেই নিৰাপদ যে—বহু দূৰ-দূৰ দেশৰপৰাও ভৰতপুৰৰ অভয়াৰণ্যলৈ জাক-জাক বিধেবিধ প্ৰজাতিৰ চৰাই আহে। আনকি ছাইবেৰিয়া, চীন আদি সুদূৰতম স্থানৰপৰাও হাজাৰ - বিজাৰ চৰাই ইয়ালৈ আছে।

এই অৰণ্য আছিল ভৰতপুৰৰ মহাৰাজৰ চিকাৰ-অৰণ্য। কিন্তু ১৯৬৪ চনত এই অৰণ্যত চিকাৰ নিষিদ্ধ হ'ল আৰু চৰকাৰে এই অৰণ্যক অভয়াৰণ্যৰূপে ঘোষণা কৰা হ'ল। বিশ্বৰ চৰাইপ্ৰেমী লোকসকলৰ মতে ভৰতপুৰৰ অভয়াৰণ্য হ'ল 'পক্ষী-সুৰলোক'। এই অভয়াৰণ্যলৈ চৰাইপ্ৰেমী সকলক অভয়াৰণ্যৰ সৰোবৰ তথা বিলত থকা নাৱত উঠি অতি ওচৰৰপৰা জলচৰ চৰাইবোৰক চাবলৈ দিয়া হয়। তদুপৰি, কিছুমান ঠাইলৈ ছাইকেল আৰু ছাইকেল-ৰিক্সাৰেও ঘূৰি ফুৰিব পাৰি। এই অভয়াৰণ্যত কেৱল চৰাই নহয়, হৰিণা, বনৰীয়া গাহৰি, ম'ৰা চৰাই আদিও প্ৰচুৰ আছে। কেতিয়াবা কেতিয়াবা এই অৰণ্যত বিশাল আকাৰৰ অজগৰ সাপ পৰিলক্ষিত হয়।

ভাৰতৰ পৌৰাণিককালৰ ৰাজৰ্ষি

ধৰ্মগুপ্ত

চন্দ্ৰবংশীয় ৰজা ধৰ্মগুপ্তই যেতিয়া অৰণ্যত চিকাৰ কৰি আছিল, দেহৰক্ষীহঁতৰপৰা বিচ্ছিন্ন হৈ পৰিল। যেতিয়া বহু সময় ধৰি বিচাৰিও দেহৰক্ষীহঁতৰ উম-ঘাম নাপালে, আৰু বেলিয়ে লাহ দিলে, তেওঁ এজেপা লখ গছত উঠিলগৈ।

এই গছজোপাত আগৰেপৰাই এটা ভালুক বহি আছিল। এটা সিংহৰ ভয়ত ভালুকটো গছলৈ উঠিছিল।

ভালুকটোৱে ৰজা ধৰ্মগুপ্তক ক'লে, "হে ৰজা, আমি সেই সিংহটোৰ কবলৰপৰা উভয়ে উভয়ক ৰক্ষা কৰোঁ আহক। আপোনাক ক্লান্ত যেন বোধ হৈছে। আপুনি শোৱক। মই পৰ দি বৈ থাকিম। মাজনিশা আপোনাক টোপনিৰপৰা জগাম আৰু মই শুম। তেতিয়া আপুনি পৰ দিব।" ৰজা ধৰ্মগুপ্তই ভালুকৰ প্ৰস্তাৱ সানন্দে মানি ল'লে।

"হেৰা ভালুক, তুমি যদি সৌ মনুহজনক ঠেলি পেলাই দিয়া, মই কদাপি তোমাৰ অনিষ্ট নকৰোঁ।" সিংহই ক'লে।

কিন্তু ভালুকে সিংহৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে।

মাজনিশা যেতিয়া ভালুক টোপনি গ'ল, তেতিয়া সিংহই ৰজা ধৰ্মগুপ্তক ক'লে, "হেৰা মনুষ্য, তুমি যদি ভালুকটোক ঠেলি তললৈ বগৰাই দিয়া, মই কেতিয়াও তোমাৰ কোনো অনিষ্ট নকৰোঁ।"

ৰজাই নিদ্ৰিত ভালুকটোক ঠেলি পেলালে। কিন্তু ভাগ্যক্ৰমে ভালুকটোৱে আন এটা ডালত থাপ মাৰি ধৰি তললৈ পৰাৰপৰা ৰক্ষা পৰিল। কিন্তু ভালুকে ৰজাৰ বিশ্বাসঘাতী কাৰ্য্যৰ বাবে ৰজালৈ অভিশাপ দিলে।

ভালুকৰ অভিশাপৰ ফলত ৰজা বলিয়া হ'ল। বহু দিনৰ অন্তত, মুনি জৈমিনিৰ উপদেশমতে, পুষ্কৰ হ্ৰদত পুণ্যস্নান কৰি ৰজাই ভালুকৰ অভিশাপৰপৰা মুক্ত হৈছিল।

ৰজা ধৰ্মগুপ্তৰ আচৰণ আছিল অবিশ্বস্ততাৰ প্ৰতীক।

জানন-মানন

টুপি-কথা

আজিৰ দিনত টুপি পিন্ধা মানুহ ক্ৰমাত তাকৰি আহিছে। মানুহে সাধাৰণতঃ জাৰ-জহৰ তীব্ৰতাৰপৰা ৰক্ষা পৰিবলৈ টুপি পিন্ধে। কেতিয়াবা কেতিয়াবা ধৰ্মীয় আৰু ৰাজনৈতিক দলসমূহৰো বিশেষ বিশেষ ধৰণৰ টুপি থাকে। ১৯৪০ চনলৈকে পুৰুষ আৰু বহুসংখ্যক নাৰীয়েও টুপি নিপিন্ধাকৈ নোলাইছিল। ৰুশ্বদেশৰ *ফাৰ্ হ্যাট* নামৰ টুপিয়ে শাৰীৰিক তাপৰ সমতা ৰক্ষা কৰে বুলি কোৱা হয়। স্প্যানিছ *ছামব্ৰেৰো* নামৰ টুপিয়ে দৃষ্টিশক্তিক সুৰক্ষিত কৰে, চকুযুৰিক কুঁৱলীবপৰা ৰক্ষা কৰে আৰু মস্তিষ্কক শীতল কৰিৰাখে। জাৰ-জহত সমভাৱে ব্যৱহাৰ কৰিব পৰা এই টুপি এবিধ বিশেষ নোমেৰে তৈয়াৰ কৰা হয়। উত্তৰ আমেৰিকাৰ ৰেড ইণ্ডিয়ানসকলৰ টুপি বিশেষ আকৰ্ষণীয়। ৰেড ইণ্ডিয়ান চৰ্দাৰহঁতে কিঞ্চিত ডাঙৰ আকাৰৰ টুপি পিন্ধে। চৰ্দাৰহঁতৰ ডাঙৰ আকাৰৰ টুপিয়েই তেওঁলোকৰ ডাঙৰত্বৰ কথা কৈ দিয়ে। অসহ্য গৰমৰপৰা ৰক্ষা পৰিবলৈ মিছৰ দেশতো এবিধ টুপি বা পাগ পিন্ধা হয়। এইবিধ টুপি বা পাগ তেওঁলোকৰ জাতীয় সাজ-পাৰৰো অঙ্গ।

©1997 UBC Feature World. All rights reserved

ৰাম্ম-জখলা

©1997 UBC Feature World. All rights reserved

সমতা-কথা

প্ৰকৃতিৰ সহজ অবয়ৱৰ প্ৰকৃষ্ট উদাহৰণ হ'ল পখিলা। পখিলাৰ মাজভাগত যদি এডাল ৰেখাৰে ভগোৱা হয়, তেনেহ'লে দেখা যায় যে ইভাগতো যি যেনেকৈ যি পৰিমাণে আছে, সিভাগতো তেনেকৈ একেই পৰিমাণে আছে। দুয়োভাগৰ মাজত অলপো ইফাল-সিফাল পোৱা নাযাব। ইয়াকে বোলে সামঞ্জস্য — সঙ্গতি। বিভাজন-ৰেখাক অনুৰূপ ৰেখা বুলি কোৱা হয়। মানৱ দেহও এই শ্ৰেণীৰ। আনকি প্ৰস্তৰ-শাস্ত্ৰতো এই সমৰূপতা তথা সমঞ্জস্যতা পৰিলক্ষিত হয়। ইউৰোপেৰ নৱ-জাগৰণৰ (ৰেনেছাঁ) কালত এই সমৰূপতাৰ তত্ত্ব পুনৰুদ্ধাৰিত হৈছিল। ১৭, ১৮ আৰু ১৯ শতিকাৰ ইউৰোপীয় স্থপতিসকলে এই সমতা বা সমৰূপতা তথা সামঞ্জস্যতাৰ সুমহান তত্ত্বেৰে বহুলভাৱে প্ৰভাৱিত হৈছিল।

স্বাধীনতাৰ সুৱৰ্ণজয়ন্তী উপলক্ষে চান্দমামাৰ নৈবেদ্য

প্ৰথম স্বাধীনতা–সংগ্ৰাম



ইস্ট ইণ্ডিয়া কম্প্যানিৰ গাভাৰ্নাৰ জেনেৰ্‍যাল ডালহৌছিয়ে ঘোষণা কৰিলে যে থলুৱা শাসকসকলে তোলনীয়া-পো অৰ্থাৎ পোষ্যপুত্ৰ ল'ব নোৱাৰিব। এই ঘোষণাপত্ৰত এই কথাও কোৱা হ'ল যে যিসকল ৰজাৰ নিজৰ সন্তান নাথাকিব, সিসকলৰ ৰাজ্য ইস্ট ইণ্ডিয়া কম্প্যানিয়ে অধিকাৰ কৰিব। এই ঘোষণাৰ ফলত ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ আৰু নানা ছাহিবেও নিজ নিজ ৰাজকীয় স্বত্ব হেৰুৱাল। কিন্তু ইস্ট ইণ্ডিয়া কম্প্যানিৰ সদস্ত ঘোষণাই থলুৱা চিপাহীহঁতৰ অধিকভাগকে ইংৰাজ-বিৰোধী কৰি তুলিলে। বঙ্গদেশৰ ব্যাৰাকপুৰৰ বৃটিছ-ছাউনিৰ অন্যতম চিপাহী মঙ্গল পাণ্ডেই ইংৰাজৰ এই সদম্ভ ঘোষণাৰ বিৰুদ্ধে তেওঁৰ লগৰীয়া সৈন্যসৱক উত্তেজিত কৰি তুলিলে। নানা ছাহিবে ইংৰাজৰ অন্যায় আধিপত্য নিচ্ছিন্ন কৰিবলৈ আঁচনি পাতিলে। আৰু ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ নানা ছাহিবৰ ওচৰলৈ ঢপেলিয়াই আহিল ইংৰাজক যেনতেনে এই দেশৰপৰা খেদিবলৈ। আৰু তাৰপাছত ...

মীৰাটত বৃটিছ বিষয়াক হত্যাৰ অন্তত তাৰ চিপাহীসকল উত্তেজিত তথা উৎসাহিত হৈ দিল্লীলৈ বুলি আগবাঢ়িল। দিল্লী নগৰীক ৰক্ষাৰ বাবে যিবোৰ ইংৰাজ সৈন্য আছিল, সিহঁতক বিদ্ৰোহীসকলে কচুকটা দিলে, আৰু মোগলৰ একমাত্ৰ উত্তৰাধিকাৰী বহাদুৰশ্বাহক হিন্দুস্থানৰ সম্ৰাট হিচাপে ঘোষণা কৰিলে। তাৰ আগতে বৃটিছ-কৰ্তৃপক্ষই বহাদুৰশ্বাহৰ সৰ্বপ্ৰকাৰ ৰাজকীয় ক্ষমতা কাঢ়ি লৈ তেওঁক এক সাধাৰণ নাগৰিকলৈ ৰূপান্তৰিত কৰিছিল। কিন্তু এতিয়া বৃটিছ-শাসকে আৰু টুঁ শব্দটিও নকৰা হ'ল, মুখত সোপা দি থাকিল।

এইবোৰ কথা জানি ৰাণী লক্ষ্মীবাঈয়ে নানা ছাহিবক ক'লে, "ভৈয়া, মীৰাটৰ সাহিয়াল ডেকাহঁতে যি কাম হাতে-কামে কৰি দেখুৱালে — তাক দেখিও নেদেখা হৈ আমি হাত সাৰটি বহি থাকিব নোৱাৰোঁ। তেওঁলোকৰ পথ-প্ৰদৰ্শক কোনো নাছিল, তথাপি

'অগ্নিযুগৰ ফিৰিঙতি'

তেওঁলোকে এনেহেন অভাৱিত কাৰ্য্য কৰিব পাৰিলে। আপুনিও দুঃসাহসীৰূপে প্ৰখ্যাত। আপুনিও দেশক আপোনাৰ ওচৰত ঋণী কৰক।"

"ভনীটি, তুমি সঁচা কথাকে কৈছা, দেশৰ হকে আমি এই কাৰ্য্যলৈ সক্ৰিয় হৈ উঠা আৱশ্যক। কেৱল মই নহওঁ, তুমি নহয়, দেশৰ সকলোটিয়েই এই বৃটিছ-বিৰোধী মহাযজ্ঞ অংশ গ্ৰহণ কৰা আৱশ্যক। আৰু — সময়ৰ শৰ যে সময়তেই মৰা হ'ব সেই কথাত পূৰ্ণৰূপে নিঃচিন্ত থাকা।"

ৰাণী লক্ষ্মীবাঈয়ে ঝান্সীলৈ বুলি ৰাওণা কৰিলে। তেওঁৰ সৈতে ভালেমান দেহৰক্ষী আছিল। নানা ছাহিবেও কিছুসংখ্যক চিপাহী তেওঁৰ লগত দিছিল। ৰাণী লক্ষ্মীবাঈয়ে নিৰাপদে ঝান্সী পালেগৈ।

মীৰাট-বিদ্ৰোহৰ অন্তত বৃটিছ-কৰ্তৃপক্ষই বহু ধৰণৰ নিৰাপত্তামূলক ব্যৱস্থা হাতত ল'লে। কানপুৰৰ ইংৰাজ-সৈন্য দলপতি উইলিয়াৰে নানা ছাহিবলৈ এখন পত্ৰ লিখি জানিব খুজিলে যে সৈনিক-বিদ্ৰোহ ইয়াতো যদি হয়, আপুনি আমাক সহায় কৰিবনে ? এসময়ত নানা ছাহিব ইংৰাজৰ অনুকূলেই আছিল। কিন্তু এইবাৰ তেওঁ পত্ৰৰ উত্তৰত লিখি পঠালে : যদি অৱস্থা তেনেকুৱা হয়েই, তেনেহ'লে নিজক ৰক্ষাৰ্থে ইয়ালৈ গুচি আহক। ইয়াত আপোনালোক অধিক সংখ্যাত আছে। আপোনাৰ পক্ষে কোনোবা দূৰণিবটীয়া ঠাইত লুকাই থকাটোৱেই উচিত হ'ব।

কিন্তু উইলিয়াৰে নানা ছাহিবৰ পৰামৰ্শলৈ কাণসাৰ নকৰা হ'ল। তেওঁ অতি বৰ্বৰতাৰে— অতি নিৰ্মমভাৱে তাত বিদ্ৰোহে মূৰ দঙাৰ আগতেই বিভিন্ন অত্যাচাৰমূলক ব্যৱস্থা ল'লে। কোনোবা চিপাহীয়ে কিবা ধৰণৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ



ক্ৰটি কৰা হ'লেই উইলিয়াৰে কঠোৰ শাস্তি বিহিছিল। অন্য নানা ধৰণে সকলো চিপাহীকে ভীতি-প্ৰদৰ্শন কৰিছিল। কেৱল চিপাহীহঁতক নহয়, থলুৱা জনসাধাৰণক অপমান, ভীতি প্ৰদৰ্শন কৰি কৰি অত্যাচাৰ ৰঙা ঘোঁৰা মেলি দিছিল।

উইলিয়াৰৰ এনেহেন অপমান-অত্যাচাৰ থলুৱা বাইজে ক্ষুব্ধতাৰে সহি থাকিল। ৰাইজে মুখেৰে একো নোকোৱা হ'ল। তথাপি কিছুসংখ্যক মানুহে এই অন্যায় অত্যাচাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি থাকিল।

উইলিয়াৰে এইবোৰ সৰুসুৰা প্ৰতিবাদৰ কোনো মূল্য নিদিলে। তেওঁ ইংৰাজ নাৰী-পুৰুষৰ সুৰক্ষাৰ বাবে কানপুৰত দুৰ্গ এটা নিৰ্মাণ কৰিলে আৰু সেই দুৰ্গৰ ভিতৰত অপৰিমিত পৰিমাণৰ খাদ্যসামগ্ৰী আৰু জোখে-জোখাৰে গুলী-বাৰুদো দ'মাই ৰাখিলে।

কিন্তু তথাপি যে বিপদ-বিপত্তিয়ে ইংৰাজক আগুৰি ধৰিব—উইলিয়াৰে সেই কথা ভাবি উলিয়াব পৰা নাছিল।

নানা ছাহিবৰ মিত্ৰ তান্ত্যা তোপি, মন্ত্ৰণা-দাতা আজমুল্লাহ্খান অৰু অন্য কিছু সংখ্যক দেশভক্তয়ো নিজক ইংৰাজৰ কোপ-দৃষ্টিৰপৰা আঁৰ কৰি বৃটিছ বিৰুদ্ধে এক বিৰাট বিদ্ৰোহৰ আঁচনি পাঙিলে।

আৰু এদিন এওঁলোকে ইস্ট ইণ্ডিয়া কম্প্যানিৰ কানপুৰস্থ ট্ৰেজাৰি — অস্ত্ৰ-শস্ত্ৰৰ গুদাম চাৰিওফালৰ পৰা আগুৰি ধৰিলে। এই অট্টালিকাত কেৱল খাছ বৃটিছ সৈন্যহঁতহে পহৰাত নিযুক্ত আছিল।

উভয়পক্ষৰ মাজত তয়াময়া লাগিল। কিছু সংখ্যক বিদ্ৰোহী নিহত হ'ল। কিন্তু দু ঘণ্টাৰ ভিতৰতে বিদ্ৰোহীসকলে এই অট্টালিকা অধিকাৰ কৰি ল'লে।

উইলিয়াৰে অগ্নিগৰ্ভ পৰিস্থিতি গমি কানপুৰস্থ ইংৰাজ নৰ-নাৰীক নৱনিৰ্মিত দুৰ্গলৈ স্থানান্তৰিত কৰিলে। উইলিয়াৰৰ এই স্থানান্তৰকৰণত বিদ্ৰোহীসকলে কোনো বাধা নিদিলে, কোনো ধৰণৰ অনিষ্টও নকলিলে।

নানা ছাহিবে বিদ্ৰোহীসকললৈ কৈছিল :

"আমি আমাৰ শক্তি, আৰু শত্ৰুৰ শক্তিৰো পৰিমাপ কৰা উচিত। যদি শত্ৰুৰ তুলনাত আমাৰ শক্তি অধিক হয়, একমাত্ৰ তেতিয়াইহে আমি এনেবোৰ শত্ৰুক আক্ৰমণ কৰিব পাৰি। পূৰ্বাপৰ ভাল-বেয়া উচিত-অনুচিত নভবাকৈ জঁপিয়াই

পৰিলে আমাৰ তথা আমাৰ দেশৰো কোনো লাভ নহ'ব।"

কিন্তু তথাপি অধিকভাগ বিদ্ৰোহীৰ প্ৰবল ইচ্ছাৰ লৈ নানা ছাহিবে মূৰ নোদোঁৱাই নোৱাৰিলে। বৃটিছ-কৰ্তৃপক্ষই যি কুতন্ত্ৰৰ প্ৰচলন কৰিছে, ভাৰতবাসীক দিনে-নিশাই যেনেকৈ অপমান-অথ্যাচাৰ কৰিছে, জুলুম কৰিছে— তাৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগেই।

গতিকে — কানপুৰৰ ইংৰাজ-দুৰ্গ চাৰিওফালৰেপৰাই বিদ্ৰোহীসকলে আগুৰি ধৰা হ'ল। দুৰ্গস্থ ইংৰাজ সেন্যহঁত যদিও যুদ্ধবিদ্যাত প্ৰশিক্ষিত, তথাপি বিপুল সংখ্যক বিদ্ৰোহীৰ আগতে ক'বলৈ গ'লে—ফু-তে উৰি গ'ল। কিছুদিন ভিতৰতে বৃটিছৰ দুৰ্গৰ গুলী-বাৰুদ নিঃশেষ হৈ গ'ল, খাদ্য-সামগ্ৰী — আনকি খোৱা-পানীও প্ৰায় নোহোৱা হ'ল। আৰু— এনেহেন পৰিস্থিতিত উইলিয়াৰে বিদ্ৰোহীসকলৰ সৈতে সন্ধিৰ বাবে দুৰ্গৰ ওপৰত বগা পতাকা উৰুৱালে।

বিদ্ৰোহীসকলে দুৰ্গৰ অভ্যন্তৰস্থ সকলো ইংৰাজৰ নৰ-নাৰীক নানা ছাহিবৰ ওচৰলৈ লৈ আহিল।

নানা ছাহিবে এগৰাকী ইংৰাজ বিষয়াক সুধিলে, "কওক, এতিয়া কি লাগে।"

সেই বিষয়াজনে উত্তৰ দিলে, "আমাক ইলাহাবাদলৈ পঠাই দিয়ে যদি—তাত আমি আমাৰ দেশবাসীৰ সৈতে থাকিব পাৰিম।"

দীৰ্ঘ আলোচনাৰ অন্তত বিদ্ৰোহীসকলে সৰ্বসন্মতভাবে সিদ্ধান্ত ল'লে যে দুৰ্গৰপৰা বন্দী কৰা ইংৰাজ নৰ-নাৰীহঁতক নাৱেৰে



নিৰাপদভাবে ইলাহাবাদলৈ পঠোৱা হ'ব।

আৰু—এদিন বেলিয়ে-ভুমূকিউৱাৰ লগে লগে প্ৰায় এহেজাৰ ইংৰাজ নৰ-নাৰীক নৈৰ তীৰলৈ লৈ অহা হ'ল। তান্ত্যা তোপিৰ আদেশ-অনুসাৰে এই ইংৰাজ নৰ-নাৰীসকলক নাৱেৰে ইলাহাবাদলৈ পঠোৱা হ'ব।

কিন্তু—নৈৰ তীৰত এহেজাৰমান ইংৰাজ নৰ-নাৰী সমবেত হোৱাৰ কথাটো যেতিয়া সদৰি হৈ পৰিল, তেতিয়া তালৈ হাজাৰ-বিজাৰ মানুহ ঢপলিয়াই আহিল। এওঁলোকৰ অধিকভাগৰ পিতাক, খুড়াক, বা ভায়েক-ককায়েক — কোনো-নহয়-কোনো ইংৰাজৰ হাতত অত্যাচাৰিত হৈছিল, অথবা অপমানিত হৈছিল। এঁওলোকৰ সম্মিলিত ক্ৰোধ নৈ-পাৰত

সমৱেত হোৱা ইংৰাজ নৰ-নাৰীৰ ওপৰত পৰিল। আৰু ভূতৰ লগত দানহ পৰাদি এই বাতৰিও ৰাইজ মাজত বনাগ্নিৰ দৰে বিয়পি পৰিল যে—কেৱল কানপুৰতে নহয়—সমগ্ৰ ভাৰততে ইংৰাজৰ শাসনৰ অন্ত পৰিল।

আৰু — এই ধাৰণাৰ তথা নিশ্চিন্ত বিশ্বাসৰ বশৱৰ্তী হৈ, ৰাইজৰ মাজত থকা বিদ্ৰোহীসকলে এইখিনি ইংৰাজ নৰ-নাৰীলৈ টোঁৱাই ধাৰাসাৰ বৰষুণৰ দৰে গুলীয়াই থাকিল। কিছুমান বিদ্ৰোহী নাৱত উঠা ইংৰাজখিনিক ঠেলি নৈৰ বুকুলৈ বগৰাই পেলালে। এমিনিটমানৰ ভিতৰতে এই ঘটনাই এক ভয়াবহ ৰূপ ল'লে। বিদ্ৰোহীসকলে পলাই যাবলৈ ধৰা ইংৰাজহঁতক ধৰি ধৰি খতম কৰিবলৈ ধৰিলে। আনকি নিশকতীয়া আধাবুঢ়া-বুঢ়া ইংৰাজহঁতকো ৰেহাই নিদিলে। বিদ্ৰোহীসকলে এই কথা ভাবিছিল যে — ইহঁতক ৰেহাই দিয়া হয় যদি, এই নিশকতীয়াহঁতেই শক্তিমান হৈ আমালৈ গুলীয়াব। আৰু লগতে প্ৰতিশোধস্পৃহাৰ অগ্নিদাহ আছিলেই।

এই দুৰ্ঘটনাৰ সম্বাদ নানা ছাহিবে, যেতিয়া পালে—তেতিয়া হ'বলগা হৈ গ'ল। নানা ছাহিব লৰৰি আহিল, আৰু প্ৰতিশোধস্পৃহ বিদ্ৰোহীসকলক — ইংৰাজ নাৰী-শিশুহঁতক একোপধ্যেই হত্যা নকৰিবলৈ সতৰ্ক কৰি দিলে। তাৰ ফলত এশ পঁচিছজন ইংৰাজ নাৰী-শিশু ৰক্ষা পৰিল। এওঁলোকক নানা ছাহিবে নিজৰ ভৱনলৈ লৈ আহিল আৰু এওঁলোকৰ বাবে যথোচিত যত্নৰে আহাৰ-বাসস্থান বন্দৱস্ত কৰিলে।

এই কথা ঠিক যে তাৎক্ষণিক ভাবে সমগ্ৰ ভাৰততে বৃটিছৰ তথা ইস্ট ইণ্ডিয়া কম্প্যানিৰ শাসন থমকি ৰৈছিল। বিদ্ৰোহীসকলে নানা ছাহিবক সেই প্ৰান্তৰ ৰজা ৰূপে ঘোষণা কৰা হ'ল। নগৰ-চহৰ আনন্দমগ্ন হ'ল। সকলোতে সকলোটিয়েই দৃঢ়-নিশ্চিত ৰূপে বিশ্বাস কৰা হ'ল যে — বৃটিছ-শাসনৰ অন্ত পৰিল, সেই সাতসাগৰ পাৰ হৈ অহা সলি-সিয়ানহঁতৰ টান মুঠিৰপা ভাৰতবাসীয়ে মুক্তি পালে, সেই টেঙৰো টেঙৰহঁত নিশ্চয় এইবাৰ নেগুৰ মোকোটাই নিজ দেশলৈ বুলি খোজ ল'ব।

কিন্তু — কিন্তু বাস্তৱত ভাৰতবাসীৰ সেই সপোন দিঠক হ'লনে ? [কল্পিত

সুখৰ দুৱাৰ — দুখৰ দুৱাৰ

ধনদাস অতি ভাগ্যৱান মানুহ। গোটেই সীতাৰামপুৰ অঞ্চলত ধনদাসহেন ধনিক নাছিল। কিন্তু ধনদাসৰ বুদ্ধি আছিল বৰ বক্ৰ। ৰাইজে আঁৰত তাক বক্ৰবুধীয়া বুলি কৈছিল। প্ৰায় প্ৰতিদিনেই ধনদাসে তাৰ অপৰিমিত ধনৰ ক্ষমতাৰে কাৰোবাক নহয় কাৰোবাক জোকাই লৈছিল, আৰু কটা ঘাত খাৰণিৰ চাট দি এবিধ বীভৎস আনন্দ লভিছিল।

ধনদাসে সাধাৰণতঃ তাৰ ঘৰৰ বহল বাৰণ্ডাতে বহি তাৰ ইয়াৰ-বন্ধুহঁতৰ সৈতে মেল মাৰিছিল। যদিহে কাৰোবাক টকা-সিকা লাগিছিল, তাতেই ধনদাসৰ লগত লগ কৰিছিল আৰু কিবা-নহয়-কিবা ধৰণৰ শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰাৰ অন্ততহে সেই মানুহজনক পইচা-পাতি দিছিল। কথাতে বোলে—ধন লাছ ধন বাছ ধন হ'লে ভাল মাছ—। পিছে—ধনৰ যথ ধনদাসে মাছৰ সলনি পাইছিল মানুহ।

কিন্তু উপকাৰৰ সলনি অত্যাচাৰৰ মজা উপভোগ কৰাৰ ফলত — ধনদাসৰ শত্ৰুৰ সংখ্যা ক্ৰমাত বাঢ়ি গৈছিল।

সেই দেশৰ মহাৰাজে প্ৰজা-ৰাইৰজ অভাৱ-অভিযোগৰ কথা নিজেই জানিবলৈ ভেশছন ধৰি ভ্ৰমি ফুৰিছিল। এদিন গৈ গৈ তেওঁ সেই সীতাৰামপুৰ অঞ্চল পাই—আৰ-তাৰপৰা ধনদাসৰ বা-বিবৰণ জানিব পাৰি কিঞ্চিত হতভম্ব হৈ ভাবিলে : পৃথিৱীখনত এনেকুৱা মানুহো থাকিব পায়নে ?

গৈ গৈ মহাৰাজে ধনদাসৰ ঘৰ পালেগৈ। ধনদাস যথাৰৎ তাৰ ঘৰৰ বাৰাণ্ডাত বহি তাৰ ইয়াৰ-বন্ধুহঁতৰ লগত মেল মাৰি আছিল। মহাৰাজ তেতিয়া এজন দুখীয়া হালোৱাৰ ভেশ লৈ আছিল। ৰঙিয়াল ধনদাসে মহাৰাজক সুধিলে, "কিহে বপুৰা —

গিৰিজা শৰ্মা

মই নিজেও তোমাৰ বীভছ মজাৰ চিকাৰ হৈছিলোঁৱেই। তুমি মানুহ নহয়, ৰাক্ষস। মই তোমাক যাৱজ্জীৱনলৈ ফাটকত ভৰাই থ'ম। উপভোগ কৰাঁ।"

এই ঘটনাৰ কথা অহুকাণে - পহুকাণে জানি সেই গাঁৱৰ গাঁওবুঢ়া দৌৰি আহিল আৰু মহাৰাজক কৈ থাকিল, "মহাৰজ, বহু দিনৰ আগতে এই ধনদাসৰ পিতৃয়ে—এক অতি বিপদজনক পৰিস্থিতিত আপোনাৰ পিতৃদেৱলৈ সহায় আগবঢ়াইছিল। সেই কাৰণে ধনদাসে পিতৃৰ আমোলৰেপৰাই নানান ধৰণৰ ৰাজকীয় সা-সুবিধা তথা নিৰাপত্তা পাই আহিছে। আপুনি এই বিশেষ ঘটনাৰ কথা জানি লোৱাৰ পাছত যি কৰে কৰক। আমাৰ মহামন্ত্ৰীদেউৱে সেই বিষয়ে আপোনাক পদে-প্ৰমাণে ক'ব পৰিব। গতিকে — আপুনি ধনদাসক ভাল হ'বলৈ সুযোগ এটা দিয়ক—এয়ে মোৰ নিবেদন।"

তিমানতে মহাৰাজ কিছু কুমলিছিল। গাঁওবুঢ়াৰ কথাত তেওঁ অন্যায় একো বিচাৰি নাপালে। তেওঁ উপলব্ধি কৰিলে যে — যি ৰাজকীয় নিৰাপত্তা ধনদাসৰ পিতৃয়ে পাইছিল, ধনদাস সেই ৰাজকীয় নিৰাপত্তা পোৱাৰ যোগ্য নহয়। তথাপি—কি আৰু কৰা যাব। আগৰ ৰাজকীয় প্ৰতিশ্ৰুতি এতিয়া ৰজাই ওফৰাই পেলাব নোৱাৰে।

মহাৰাজে ধনদাসক ক'লে, "শুনা, তুমি যদি কমেও এমাহ ধৰি তোমাৰ মহাশত্ৰুৰ উপকাৰ কৰিব পাৰা, আৰু উপকাৰৰ বিষয়ে যদি তুমি তোমাৰ সেই মহাশত্ৰুতকৈ ডাঙৰ

তোমাকনো কিমান পইচা লাগে ?"

মহাৰাজে ক'লে, "এশ মুদ্ৰা লাগে, দৌতা।"

"তো—পোনতে তুমি বলধৰ ভাও দিব লাগিবযে বাপাহা। তোমাৰ মূৰত থাকিব শিং, আৰু তুমি তেনেকৈ সাজি লৈ ঠেঙত নেপূৰ বান্ধি নাচ দেখুৱাব লাগিব — ভাল পোৱাব লাগিব মোৰ মন — তেহে পাবা ধন।" ধনদাসে হে-হেকৈ হাঁহি হাঁহি ক'লে।

হঠাৎ সেই দুখীয়া হালোৱাই তাৰ খোচনিৰপৰা কিবা এটা বস্তু উলিয়াই আনি দেখুৱাৰ লগে লগেই ধনদাস শেঁতা পৰলি। হালোৱাই ক'লে, "ধনদাস, মই এই দেশৰ ৰজা। তোমাৰ এই বীভছ মজা উপভোগ কৰাৰ বিয়াধিৰ কথা মোৰ কাণত পৰিছে। এতিয়া

পৰোপকাৰী বুলি নিজক প্ৰমাণ কৰিব পাৰা, তেনেহ'লে তোমাক দণ্ডৰপৰা ৰেহাই দিম। কিন্তু জানি থোৱা, আগলৈ তোমাৰ আচৰণেই হ'ব তোমাৰ সুখৰ বা দুখৰ দুৱাৰ।"

তাৰ মহাশত্ৰু কোন—ধনদাসে ভাবি থাকিল। ভাবি ভাবি সি আৱিষ্কাৰ কৰিলে যে—এই গোটেইখন গাঁৱেই দৰাচলতে তাৰ শত্ৰু। কিন্তু—শতুৰুৰো শতুৰু মহাশতুৰুও এজন নথকা নহয়। তাৰ নাম প্ৰমোদ।

প্ৰমোদৰ ভৰিত এবাৰ বেয়া ধৰণৰ ঘাৰ হৈছিল, আৰু সেই ঘাৰৰ চিকিৎসাৰ বাবে প্ৰমোদে ধনদাসৰপৰা পঞ্চাছটি মুদ্ৰা খোজাত ধনদাসে প্ৰমোদক কৈছিল, "মুদ্ৰা পঞ্চাছটা —পাবা। কিন্তু মোৰ চৰ্ত মানিলেহে। চৰ্ত হ'ল যে—মই নিজেই তোমাৰ ঘাৰৰ চিকিচ্ছা কৰিম।"

প্ৰমোদে কি আৰু কৰিব। ধনদাসৰ কথাত মান্তি হ'ল আৰু বিভছ মজাৰ বিহ-শিঙৰা ধনদাসে এটা খুটাৰ সৈতে প্ৰমোদক কটকটীয়াকৈ বান্ধি তাৰ ঘাৰ-ওপৰত নিমখ আৰু নেমুটেঙাৰ ৰস দিয়াত প্ৰমোদে আৰ্তনাদ কৰি কৰি ছটফটাবলৈ ধৰিলে আৰু ধনদাসে এই দৃশ্য হাঁহি হাঁহি উপভোগ কৰি থাকিল।

তাৰ পাছত ধনদাসে প্ৰমোদক এৰি দিলে আৰু মুদ্ৰা পঞ্চাছটাও দিলে ; কিন্তু ক্ৰুদ্ধ প্ৰমোদে তাৰপৰা গুচি যোৱাৰ আগতে ধনদাসক কাণটলীয়া এটা মাৰিলে আৰু ক'লে, "তোমাৰ এই উপকাৰ—মই স্বীকাৰ নকৰোঁ। পাৰিলে মই তোমাৰ এই বিভছ মজাৰ প্ৰতিশোধ ল'ম। এতিয়াৰপৰা তুমি—একমাত্ৰ তুমিয়েই এই অঞ্চলত মোৰ মহাশত্ৰু।"

ধনদাসে মহাৰাজক এই ঘটনাৰ কথা চমুকৈ বিবৰিলে আৰু ক'লে, "মহাৰাজ, সেই প্ৰমোদেই হ'ল মোৰ মহাশত্ৰু। সি-ও নিশ্চয় মোক মহাশত্ৰু বুলি ভাবে। গতিকে—মই তাৰ উপকাৰ কৰিবলৈ সাজু। কিন্তু তাক মতাই অনাই কওক—সি মোৰ প্ৰত্যুপকাৰ নকৰে যেন। তেতিয়া মোৰ উপকাৰ অথলে যাব।"

মহাৰাজে গাঁওবুঢ়াৰ হতুৱাই প্ৰমোদক মতাই অনাইছিল আৰু প্ৰমোদপৰাও সেই ঘা-ঘটনাৰ কথা জানি লৈছিল। তাৰ পাছত ধনদাসৰ ভৱিষ্যৎ আচৰণ-বিবৰণ জনাবলৈ গাঁওবুঢ়াক কটকটীয়াকৈ আদেশ দিছিল আৰু তেওঁ পুনৰ ৰাজধানীলৈ উভতি গৈছিল।

সিদিনাৰেপৰাই ধনদাসৰ আচৰণ পৰিৱৰ্তিত হৈ থাকিল।

প্ৰথমেই — ধনদাসে তাৰ অতীত কৃতকাৰ্য্যৰ বাবে প্ৰমোদৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে আৰু প্ৰমোদক এই প্ৰতিশ্ৰুতি দিলে যে—আগলৈ কদাপি সি কি প্ৰমোদৰ সৈতে কি আন কাৰোবাৰ সৈতেও আগদৰে আচৰণ নকৰে।

তাৰ পাছত ধনদাসে দুখীয়া প্ৰমোদক ঘৰ এটা সাজি দিলে, তাক নিমন্ত্ৰণ কৰি ভোজ খুৱালে, প্ৰমোদৰ নামত বিভিন্ন ঠাইত দেৱ-মন্দিৰত পূজা আগ কৰিলে, আৰু এমাহৰ অন্তত ধনদাসে প্ৰমোদৰ নামত এহালিচা সাকুৰা খেতিমাটিও লিখি দিলে।

কিন্তু এইবাৰ ৰাইজে প্ৰমোদক নিন্দা কৰি থাকিল। ধনদাসৰ ইমান উপকাৰৰ পৰিৱৰ্তে প্ৰমোদে যে ধনদাসক এগছি কুটাও নিদিলে, সেই কথালৈ মন কৰি গাঁৱৰ ৰাইজে প্ৰমোদক 'স্বাৰ্থদাস' নামেৰে নামাঙ্কিত কৰিলে আৰু প্ৰমোদৰ নিন্দাত পঞ্চমুখ হ'ল।

এমাহৰ অন্তত মহাৰাজ পুনৰ এদিন সীতাৰামপুৰলৈ আহিল। গাঁওবুঢ়াই গাঁৱৰ গণ্যমান্যসকলক মতাই অনালে, সাধাৰণ মানুহো সমৱেত হ'ল।

মহাৰাজে ধনদাসৰ পৰিৱৰ্তিত আচৰণৰ প্ৰশংসা কৰিলে আৰু প্ৰমোদক ক'লে, — "কিন্তু তুমি তোমাৰ ক্ষমতা অনুসাৰে ধনদাসৰ কোনো প্ৰত্যুপকাৰ নকৰিলা।"

প্ৰমোদে মিঠাকৈ হাঁহিৰে ক'লে, "মহাৰাজ, আপুনি কৈ যোৱা মতে — শত্ৰুৰহে উপকাৰ কৰিব লাগিছিল। কিন্তু— ধনদাসে তেওঁৰ অতীতৰ কৃতকৰ্মৰ বাবে মোৰপৰা ক্ষমা প্ৰাৰ্থনা কৰাত মই মুহূৰ্ততে শত্ৰুতাৰ কথা পাহৰি পেলাইছিলোঁ, আৰু তেওঁক পৰম পৰোপকাৰী মিত্ৰ হিচাপে গণ্য কৰিছিলোঁ।"

প্ৰমোদৰ এই উত্তৰ শুনি তাত উপস্থিত সকলোটিয়েই, মহাৰাজো নিমাত হ'বলগা হ'ল। মহাৰাজে উপলব্ধি কৰিলে যে — ধনদাসে যোৱা এমাহৰ শেষ দিনলৈকো প্ৰমোদক মহাশত্ৰু বুলি জানিছিল বুলিহে উপকাৰ সাধিছিল।

কিন্তু প্ৰমোদৰ অন্তৰত ধনদাসলৈ শত্ৰুতাৰ আৰু লেশমানো নথকাত তাৰ মনত 'শত্ৰুলৈ প্ৰত্যুপকাৰ' কৰাৰ কোনো ধৰণৰ

প্ৰশ্নয়েই প্ৰমোদৰ মনত মূৰ দঙা নাছিল।

ঘটনাৰ কথা ভাবি যেতিয়া সকলোটি মনে মনে আছিল, তেতিয়া ধনদাসে থিয় হৈ কৈ উঠিল, "মহাৰাজ, আৰু ইয়াত উপস্থিত মাননীয় ৰাইজ, মই মোৰ অতীতৰ কৃতকৰ্মৰ বাবে প্ৰকৃততেই দুঃখিত, আৰু মই কেৱল প্ৰমোদৰপৰাই নহয় — মহাৰাজৰপৰা, আৰু ৰাইজৰপৰাও ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। আপোনাসৱে বিশ্বাস কৰিব পাৰে — মই মোৰ অতীতৰ কাৰ্য্যকলাপৰ বাবে প্ৰকৃততেই লজ্জিত-অনুতপ্ত। আৰু—এই কথা এতিয়া মনে-চিতে উপলব্ধি কৰিব পাৰিলোঁ যে— ধনৰ গৰাকীয়েই সুখৰ গৰাকী নহয়। ধনৰ সদ্ব্যৱহাৰ — জগতৰ বহুতেই কৰিব নাজানে। ধনেৰে কি কি কৰিব পাৰি তাৰ বিষয়েও সৰহভাগ মানুহৰ কোনো ধাৰণায়েই নাই। ধন লাগে—এই কথাকে জীৱনৰ মূলমন্ত্ৰ কৰি অধিকভাগ মনুহে মিছাতে ককবকাই থাকে আৰু অনাহক কষ্ট ভোগে। ধনৰ প্ৰকৃত ব্যৱহাৰ নাজানি, ধনৰ মাজত থকা বিভৎস দানহটোক অপকৰ্মৰ বাবে ব্যৱহাৰ কৰিলে যে কি ফল লাভ হয়—তাৰ দেখ দেখ প্ৰমাণ মই নিজৰ জীৱনতে পাইছোঁ। ধন হ'ল এক অপৰিমিত শক্তিশালী দানৱ। কিন্তু মানৱে সেই ধনৰূপী দানৱক নিয়ন্ত্ৰণ কৰি সুখৰ দুৱাৰ মুকলি কৰিব পাৰে। কিন্তু মানুহে যদি ধনৰ মাজত লুকাই থকা দানৱটোক নিয়ন্ত্ৰণ নকৰে, বা নিয়ন্ত্ৰণ কৰিব নোৱাৰে যদি—তেনেহ'লে সেই সুখৰ দুৱাৰেই হ'ব দুখৰ দুৱাৰ। মই ইমান দিন ধৰি দুখৰ দুৱাৰকে সুখৰ দুৱাৰ বুলি ভাবি যি মহাভুল কৰিছিলোঁ, তাৰ বাবে মই বাস্তৱিকতে লজ্জিত-অনুতপ্ত। এতিয়াৰপৰা —ধনৰূপী মহাশক্তিশালী দানৱক মই নিয়ন্ত্ৰণ কৰাৰ কথা ৰাইজক বুজাই ক'ম—এয়ে হ'ব মোৰ বাকীছোৱা জীৱনৰ ব্ৰত। মই মোৰ এই নতুন জীৱনৰ বাবে — আপোনাসৱৰ ওচৰত —বিশেষকৈ আমাৰ পৰমপ্ৰিয় মহাৰাজৰ ওচৰত—আন্তৰিক ওলগ জনাইছোঁ আৰু আজিৰেপৰাই মোৰ জীৱনৰ সুঁতি পৰিপূৰ্ণৰূপে সলাবলৈ প্ৰতিশ্ৰুতি দিছোঁ।"

এই বুলি কৈ ধনদাসে সৰ্বসমক্ষত প্ৰমোদক বুকুত আঁকোৱালি ল'লে, আৰু তাত এক সুখকৰ প্ৰশান্তিৰ মায়াময়তাই যেনিবা সকলোকে আচ্ছন্ন কৰি পেলালে।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৮ চনৰ মাৰ্চ সংখ্যাত ওলাব



M.NATARAJAN

M.NATARAJAN

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৮ চনৰ জানুৱাৰিৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600026.

১৯৯৭ চনৰ নভেমবাৰ সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : জননদিনৰ জননী

দ্বিতীয় ফোটো : চাই তৰধে মোহিনী

পাওঁতা : তাপস দে, তেঁতেলীপুৰ, গোৱালপাৰা, অসম।

[এই মাহৰ শেষ ভাগত পুৰস্কাৰৰ ধন পঠোৱা হ'ব।]

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES

CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, CHENNAI-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., Chandamama Buildings, Chennai - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K. Salai, Vadapalani, Chennai - 600 026 (India) Editor : NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক ।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 129.00 ● উৰাজাহাজ-যোগে 276.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 135.00 ● উৰাজাহাজ-যোগে 276.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Registrar of News Papers, India. RN 30278/76



everest/97/HPL/50 ass